# অধ্যায় ২ ঃ উদ্ভৱ কালৰ অসমীয়া সাহিত্য

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ উদ্ভৱ কালৰ অসমীয়া ভাষা

২.৪ অসমীয়া লোক-সাহিত্য

২.৪.১ মন্ত্ৰ-সাহিত্য, ইয়াৰ শ্ৰেণী বিভাজন আৰু বৈশিষ্ট্য

২.৪.২ ডাকৰ বচন, ইয়াৰ পৰিচয় আৰু বিষয়বস্তু

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.৮ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত মন্ত্ৰ-সাহিত্য আৰু ডাকৰ বচনৰ পৰিচয় লাভ কৰিব
- মন্ত্ৰ-সাহিত্যই অসমীয়া লোক-সাহিত্যত যে বিশেষ স্থান অধিকাৰ কৰি আছে, তাৰ সম্যক আলোচনা কৰিব পাৰিব
- মন্ত্ৰ-সাহিত্যৰ শ্ৰেণী বিভাজন আৰু বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰিব পাৰিব
- অসমীয়া জনজীৱনত ডাকৰ বচনে গ্ৰহণ কৰা তাৎপৰ্যপূৰ্ণ ভূমিকাৰ কথা আলোচনা কৰিব পাৰিব।

## ২.২ পৰিচয়

এই পাঠ্যবিষয়ৰ প্ৰথমটো অধ্যায়ত প্ৰাচীন অসমীয়া সাহিত্যৰ ৰূপনো কেনে আছিল তাৰ পৰিচয় লাভ কৰিলে। এইটো এই পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়, যাৰ শিৰোনাম 'উদ্ভৱ কালৰ অসমীয়া সাহিত্য'। ইয়াত উদ্ভৱকালীন অসমীয়া সাহিত্য ক্ৰমবিকশিত ৰূপৰ অন্তৰ্গত মৌখিক সাহিত্যশ্ৰেণী, মন্ত্ৰ-সাহিত্য আৰু ডাকৰ বচনৰ আলোচনা আগবঢ়োৱা হৈছে।

## ২.৩ উদ্ভৱ কালৰ অসমীয়া ভাষা

শিলালেখ, তামৰ ফলি আদিত খোদিত কৰা লিপি আৰু তাৰ অৰ্থৰ উদ্ধাৰ আৰু বিশ্লেষণে প্ৰাচীন স্তৰৰ অসমীয়া সাহিত্যৰনো কেনে ৰূপ হ'ব পাৰে তাৰ ধাৰণা আগবঢ়ায়। যদিহে আলোচনা

ভাগক উদ্ভৱ কালৰ অসমীয়া সাহিত্য হিচাপে আগবঢ়াই নিয়া হয় তেতিয়া হ'লে প্রত্ন-অসমীয়া ভাষাৰ বিষয়েও দুআষাৰ উল্লেখ নকৰিলে আলোচনাভাগ আধৰুৱা হ'ব। ইয়াৰ কাৰণ ভাষাক বাদ দি সাহিত্যৰ আলোচনা আধৰুৱা।

খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ পুৰণি কামৰূপৰ বিভিন্ন স্থানত ৰাজত্ব কৰা হিন্দু ৰজাসকলে প্রদান কৰা তাম্রফলিসমূহৰ ভাষাই তদানীন্তন কালছোৱাৰ অসমীয়া ভাষাৰ পৰিচয় বহন কৰিছে। এনেবোৰ ফলিত এনে কিছুমান শব্দ সন্নিৱিষ্ট হৈছে, যিবোৰক ধ্বনিগত দিশৰ পৰা বিশুদ্ধ সংস্কৃত বুলিব নোৱাৰি। তাম্রলিপিসমূহত সন্নিৱিষ্ট হোৱা শব্দাৱলীক অসমীয়া ভাষাৰ প্রত্নৰূপ আখ্যা দিব পাৰি। প্রাক্-আহোম যুগৰ এনে শিলালিপি আৰু তাম্রলিপিবোৰত লিপিকাৰসকলে বিশুদ্ধ সংস্কৃত ভাষাত লিখিবলৈ চেষ্টা কৰিছিল যদিও তাৰ মাজত কিছুমান অপ্রচলিত শব্দ সোমাই পৰিছিল। বৰ্মন বংশ, শালস্তম্ভ বংশ আৰু পাল ৰাজবংশৰ ৰজাসকলৰ ৰাজত্ব কালত প্রদত্ত এনে ধৰণৰ শিলালিপি আৰু তাম্রলিপিৰ ভাষাত সন্নিৱিষ্ট হৈ থকা বিভিন্ন শব্দাৱলীৰ বিশেষকৈ ঠাইৰ নাম, গছৰ নাম, ফল-মূল, চৰাই-চিৰিকতিৰ নাম আদিৰ মাজেদি মূল সংস্কৃত ভাষাৰ মাজতেই থলুৱা ভাষাৰ এটা চিহ্ন ৰাখি যাবলৈ সক্ষম হৈছে। অসমীয়া ভাষা যে মধ্য ভাৰতৰ ভাষাৰ পৰা কিছু পৃথক, সেই কথা পোনপ্রথমে পোহৰলৈ আনিলে হিউৱেন চাঙে। অর্থাৎ খ্রীষ্টিয় সপ্তম শতিকাতেই অসমীয়া ভাষাৰ প্রত্ন ৰূপটো আধুনিক ভাৰতীয় ভাষাৰ গঠনৰ দিশত আগবাঢ়ে। ভাষাবিদসকলে তেওঁলোকৰ গৱেষণালব্ধ জ্ঞানেৰে অসমীয়া ভাষাৰ উদ্ভৱ কাল দশম শতিকা বুলি ক'ব বিচাৰে। চৰ্যাগীত, দোহাকোষ আদিৰ মাজত উদ্ভৱকালীন অসমীয়া ভাষাৰ প্রত্ন ৰূপটো সন্নিৱিষ্ট হৈ আছে। এই কালছোৱাৰ ৰচনাত বিশুদ্ধ অসমীয়া ভাষাৰ নিদর্শন পোৱা নাযায়, যদিও উদ্ভৱ কালৰ অসমীয়া ভাষাৰ নিদর্শন তাম্রফলি, চৰ্যাগীত আৰু শ্রীকৃষ্ণ কীৰ্ত্তনৰ ভাষাত সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ পৰৱৰ্তী অধ্যায়ত চৰ্যাগীত (চৰ্যাপদ) আৰু শ্রীকৃষ্ণ কীৰ্ত্তনৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** প্রত্ন অসমীয়া ভাষা বুলিলে কি বুজে? (১৫০টা শব্দৰ ভিতৰত লিখক)

## ২.৪ অসমীয়া লোক-সাহিত্য

### ২.৪.১ মন্ত্র-সাহিত্য, ইয়াৰ শ্রেণী বিভাজন আৰু বৈশিষ্ট্য

অসমীয়া সাহিত্যৰ ক্রমবিকাশৰ ইতিহাসত মন্ত্র-সাহিত্যই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। মন্ত্র এক ব্যাপক আৰু বিস্তৃত বিষয়। ইয়াৰ বিষয়বস্তু, পৰিসৰ, উপস্থাপন পদ্ধতি, মন্ত্র-সাহিত্যৰ বিস্তৃতি, ধৰ্মৰ সৈতে মন্ত্রৰ সম্পৰ্ক, মন্ত্রৰ অন্তর্নিহিত শক্তি আৰু

মন্ত্ৰৰ প্ৰয়োগ পদ্ধতি ইত্যাদি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিবলৈ হ'লে যথেষ্ট অধ্যয়ন, অধ্যৱসায় আৰু গৱেষণাৰ প্ৰয়োজন। মন্ত্ৰৰ প্ৰাচীনত্ব সম্পৰ্কে দীৰ্ঘ্য-নিকায়ৰ ভিতৰত নানা প্ৰকাৰ 'ৱিজ্জা (বিদ্যা)'ত বুদ্ধদেৱৰ সময়তে গুপুত তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলনৰ আভাস পোৱা যায়। বৌদ্ধ সাহিত্যৰ বিখ্যাত গ্ৰন্থ *মঞ্জুশ্ৰীমূলকল্পত* ভালেমান মন্ত্ৰ-মুদ্ৰা, মণ্ডল, ধাৰণী আদিৰ উল্লেখ পোৱা যায়। পৰৱৰ্তী কালত তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাই বৌদ্ধধৰ্মত প্ৰৱেশ কৰে বুলি অনুমান কৰিব পাৰি। লাহে লাহে মানুহৰ মাজত মন্ত্ৰৰ প্ৰতি অগাধ বিশ্বাস বৃদ্ধি পোৱাত মহাযানী বৌদ্ধসকলৰ মাজত এনে বিশ্বাসে প্ৰাধান্য লাভ কৰিবলৈ ধৰিলে। হিন্দুধৰ্মৰ তান্ত্ৰিক যুগত তান্ত্ৰিক বৌদ্ধধৰ্মৰ ভালেমান আচাৰ-নীতিয়েও এফালে বৌদ্ধ বজ্ৰযান, সহজযান আদিৰ, আনফালে হিন্দুতন্ত্ৰৰ কেন্দ্ৰ ৰূপে তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাই হিন্দুধৰ্মতো প্ৰৱেশ লাভ কৰিলে বুলি পণ্ডিতসকলে অনুমান কৰে। যোগিনীতন্ত্ৰত এনে ধৰণৰ ভালেমান তান্ত্ৰিক সাধন আৰু যোগ প্ৰক্ৰিয়াৰ উল্লেখ সণ্ঢালনীভাৱে পোৱা যায়। এসময়ত কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ কাৰণে বিখ্যাত আছিল আৰু এই সম্পৰ্কে বিভিন্ন ইতিহাসবিদৰ টোকাত ধাৰাবাহিকভাৱে উল্লেখ পোৱা যায়।

মন্ত্ৰসমূহ অসমীয়া সাহিত্যৰ উল্লেখযোগ্য সম্পদ আৰু ইয়াৰ ৰচনাকাল অতি প্ৰাচীন। মৌখিক ৰূপত পৰম্পৰাগতভাৱে চলি আহিলেও জনপ্ৰিয়তা আৰু ব্যৱহাৰৰ ব্যাপকতাৰ বাবে মন্ত্ৰ-সাহিত্যত অৰ্বাচনীয়তাৰ প্ৰভাৱ যথেষ্ট। মন্ত্ৰত পুৰাণ, উপনিষদ, মহাকাব্য, লোককথা, লোকবিশ্বাস আৰু পৰম্পৰাগত ঐতিহ্য আৰু লোক-সংস্কৃতিৰ প্ৰভাৱ যথেষ্ট।

প্ৰাচীন কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ কাৰণে সমগ্ৰ ভাৰততে বিখ্যাত আছিল। অষ্টম-নৱম শতিকাৰ বিখ্যাত দাৰ্শনিক শঙ্কৰাচাৰ্যৰ জীৱন-কাহিনীৰ সৈতে কামৰূপৰ তন্ত্ৰ-মন্ত্ৰৰ কথা জড়িত হৈ আছে। প্ৰচলিত কিম্বদন্তী অনুসৰি অভিনৱ গুপ্ত নামৰ এগৰাকী লোকে তান্ত্ৰিক অভিচাৰ কৰি শঙ্কৰাচাৰ্যৰ মৃত্যু ঘটাইছিল। শিখধৰ্মৰ গুৰু নানক অসমলৈ আহোতে তেওঁৰ এগৰাকী শিষ্য মৰ্দনক এগৰাকী কামৰূপী তিৰোতাই কুমন্ত্ৰ কৰিছিল।

বিভিন্ন সময়ৰ মুছলমান ইতিহাসবিদে প্ৰাচীন কামৰূপৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰাদুৰ্ভাৱৰ কথা উল্লেখ কৰি গৈছে। *আলমগীৰ নামা, বাহাৰিস্তান-ই-ঘায়বী, পাদশ্যাহ বুৰঞ্জী* আদি গ্ৰন্থতো পুৰণি কামৰূপত তন্ত্ৰ-মন্ত্ৰৰ ব্যাপক প্ৰচলনৰ আভাস পোৱা যায়। *আলমগীৰ নামাৰ* বৰ্ণনা অনুসৰি "যি লোকে বিদেশৰ পৰা কামৰূপলৈ আহে, এই দেশৰ যাদু-মন্ত্ৰৰ প্ৰভাৱত তেওঁ উৰাদিহ নোপোৱা হয়, জীৱন লৈ নিজ দেশলৈ ঘূৰি যোৱা তেওঁৰ টান হয়।"

মন্ত্ৰ সাহিত্যৰ উদ্ভৱকাল সম্পৰ্কে সঠিক সিদ্ধান্ত দিয়া অসম্ভৱ যদিও প্ৰাক্-শঙ্কৰী যুগত ইয়াৰ ব্যাপক চৰ্চা আছিল যেন অনুমান হয়। ডিম্বেশ্বৰ নেওগৰ মতে "মন্ত্ৰসমূহ অতি আদিম, অন্ততঃ একাদশ-দ্বাদশ শতিকাৰ পিছলৈ নাহে; বিশেষকৈ অসমীয়া সমাজত বৈষ্ণৱ ধৰ্মৰ ঢৌ উঠাৰ পাছত আৰু এনেবোৰ তন্ত্ৰ-মন্ত্ৰৰ ন-কৈ জন্ম হোৱা সম্ভৱ নহয় বুলিয়ে ভাবিব পাৰি।"

➢ **প্ৰাচীন কামৰূপত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা ঃ** গাৰক্ষনাথৰ *কামৰত্ন তন্ত্ৰ* পুৰণি কামৰূপত ৰচিত এখনি উল্লেখযোগ্য তান্ত্ৰিক গ্ৰন্থ। *কালিকা পুৰাণ, যোগিনীতন্ত্ৰ,* সৰ্বানন্দ নাথৰ *সৰ্বোল্লাস তন্ত্ৰ* ইত্যাদি প্ৰাচীন কামৰূপত ৰচিত তন্ত্ৰ সম্পৰ্কীয় উল্লেখযোগ্য গ্ৰন্থ। *যোগিনীতন্ত্ৰ*ৰ পূৰ্বখণ্ডত যোগাভ্যাস, স্বপ্নৱতী, মৃত-সঞ্জীৱনী, মুণ্ড-সাধন ইত্যাদি বিদ্যাৰ লগতে গুৰু-জপ মাহাত্ম্যৰ বৰ্ণনা পোৱা যায়। *যোগি সম্প্ৰদায়া বিস্কৃতিত* মৎস্যেন্দ্ৰ নাথৰ পৰকায় প্ৰৱেশ আৰু *গোৰক্ষবিজয়*ত গোৰক্ষনাথৰ মৃতসঞ্জীৱনী বিদ্যাৰ আভাস পোৱা যায়। এনে বৰ্ণনাই মধ্যযুগৰ প্ৰাচীন কামৰূপৰ উচ্চস্তৰৰ সমাজ আৰু সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰে। *কামৰত্ন তন্ত্ৰ* সম্পৰ্কত সম্পাদক হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে— "The Book describes how by indications and other methods of man as well as women can be subdued, attracted, make hostile, paralysed, killed, freed from evils, excited and so on. It gives the methods to be adopted for the performance of the above facts on the form of medicines, mantras and jantras."

*কামৰত্ন* তন্ত্ৰত আছে— "বশ, আকৰ্ষণ এই কৰ্ম বসন্তকালত কৰিব, গ্ৰীষ্মত বিদ্বেষণ, বৰ্ষাত স্তম্ভন, শিশিৰত মাৰণ, শৰতত শান্তি-পুষ্টি, হেমন্তত উচ্চাটন সম্পৰ্কীয় মন্ত্ৰ প্ৰয়োগ কৰিব লাগে।" *বৰহেঙ্গুলী মন্ত্ৰ*ত হেঙ্গুলীক প্ৰাণ দিবৰ বাবে গোৰক্ষনাথৰ নাম লোৱা হৈছে— "উঠ স্ত্ৰী গোৰক্ষনাথ বাবা ফুট।" সেইদৰে *সৰ্বঢাক মন্ত্ৰ*ত আছে— "শ্ৰীকৃষ্ণং পুণ্ডৰীকাক্ষং গোৰক্ষনাথং হৰি হৰি চৰণং।" একে মন্ত্ৰতে ব্যাধিৰ জন্মবৃত্তান্ত দাঙি ধৰি লিখিছে—

*"অৰে অৰে ব্যাধি শুন কৰ্ণ পাতি। মহাদেউৰ পুত্ৰ গোৰক্ষৰ নাতি।*
*খাওন পিওন অশুদ্ধ হাত। অমুকাক ৰক্ষা কৰে শ্ৰীগোৰক্ষনাথ।"*

*যোগিনীতন্ত্ৰ*ত নানাবিধ তান্ত্ৰিক সাধন বিদ্যা আৰু যোগ পদ্ধতিৰ স্পষ্ট উল্লেখ আৰু বৰ্ণনা পোৱা যায়। এই গ্ৰন্থত ষটকৰ্ম সাধন পদ্ধতিৰো বিস্তৃত উল্লেখ আছে। এই ষটকৰ্ম হ'ল— ক) শান্তি— ৰোগ বা বিপদত মঙ্গল কামনা কৰি কৰ্ম, খ) বশ্য— বশীভূত কৰিবৰ উদ্দেশ্যে কৰা কৰ্ম, গ) স্তম্ভন— বাধা দিয়াৰ কাৰণে, ধৰিবৰ কাৰণে কৰা কৰ্ম, ঘ) বিদ্বেষণ— দুজনৰ মাজত বৈৰী ভাব জগোৱাৰ কাৰণে কৰা কৰ্ম, ঙ) উচ্চাটন— দূৰীভূত কৰিবৰ কাৰণে কৰা কৰ্ম আৰু চ) মাৰণ— ধ্বংসৰ কাৰণে কৰা কৰ্ম।

*যোগিনীতন্ত্ৰ*ত কামৰূপক গুহ্যতীৰ্থ, *তাৰ্ক্ষতন্ত্ৰ* আৰু *কুব্জিকাতন্ত্ৰ*ত মহাপীঠ আৰু *মহানীলতন্ত্ৰ*ত কামৰূপ পীঠক সকলো পীঠৰ ভিতৰত শ্ৰেষ্ঠ পীঠ আখ্যা দিয়া হৈছে। *অকুলবীৰ তন্ত্ৰ, কৌলজ্ঞান নিৰ্ণয়* আদি গ্ৰন্থত যোগতান্ত্ৰিক সাধন পদ্ধতি, কৌলমাৰ্গ আদি উল্লেখ পোৱা যায়।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ২ ঃ** প্ৰাচীন কামৰূপত তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলন সম্পৰ্কে চমুকৈ লিখক। (২৫০টা শব্দৰ ভিতৰত লিখক)

- **তন্ত্ৰ-মন্ত্ৰ আৰু যোগ-সাধন পদ্ধতিত মন্ত্ৰৰ গুৰুত্ব ঃ** নাথধৰ্মৰ ধৰ্মীয় সাধন পদ্ধতিৰ ভিতৰত ওস্কাৰ সাধনৰ গুৰুত্ব সৰ্বাধিক। সদ্‌গুৰু এই সাধন-প্ৰণালীৰ পথ-প্ৰদৰ্শক। পাৰমাৰ্থিক দৃষ্টিত জীৱ শিৱ স্বৰূপ হ'লেও অনাদি মলৰ আধিক্যৰ বাবে জীৱৰ গাত শিৱত্বৰ অভিব্যক্তি নহয়। ওঁ-কাৰ সাধনৰ জৰিয়তে জীৱদেহত চিৎশক্তিৰ বিকাশ হয় আৰু জীৱই শিৱসাম্যতা লাভ কৰে।

চিত্তৰ চাঞ্চল্য দূৰ কৰিবৰ বাবে ওঁ-কাৰ সাধন অতি কাৰ্যকৰী। জীৱদেহত বা গাত্ৰ ধাৰণ কৰি থকা বাবে হংসমন্ত্ৰক 'গায়ত্ৰী'ও বোলা হয়। যৌগীসকলে গায়ত্ৰী মন্ত্ৰক পৰম মোক্ষদায়িনী ৰূপে বিবেচনা কৰে—

*"অজপা নামগায়ত্ৰী যোগিনাং মোক্ষদায়িনী।*
*অস্যাঃ সঙ্কল্পমাত্ৰেন সৰ্বপাপৈ প্ৰমুচ্যতে।।"*

*কুলাৰ্ণৱ তন্ত্ৰ*ত জীৱৰ প্ৰাণধাৰিণী শ্বাস-প্ৰশ্বাসকে গায়ত্ৰী বা 'মহামন্ত্ৰ' বুলিছে।

মহাবায়ু যেনেকৈ মহাসমুদ্ৰৰ একাংশ হিল্লোলিত কৰি পুনৰ মহাকাশত বিলীন হয়, সেইদৰে চিৎ স্বৰূপ পৰমাপ্ৰকৃতিও সৃষ্টিৰ উদ্দেশ্যেৰে চিৎ স্বৰূপ পৰমাত্মাক হিল্লোলিত কৰি পুনৰ পৰমাত্মাতে মিলি যায়। পৰমাপ্ৰকৃতিৰ এই হিল্লোলেই 'স্পন্দনশক্তি'। পৰমাত্মাৰ স্পন্দনেই প্ৰপঞ্চজগত সৃষ্টিৰ মূল কাৰণ। এই স্পন্দনৰ পৰাই প্ৰকাশ, গতি নাইবা সত্ত্ব-ৰজ-তমোময় একপ্ৰকাৰ কণৰ উদ্ভৱ হয়। ইয়াকে গুণ বোলা হৈছে। এই গুণসমূহ যেতিয়ালৈকে অবিভাজ্য থাকে, তেতিয়ালৈকে সৃষ্টি নহয়। বিভাজিত হ'লেই এক বা পৰস্পৰ মিলিতভাৱে ত্ৰিগুণাত্মক সৃষ্টিকাৰ্য সম্পন্ন হয়। পৰমপুৰুষ আৰু পৰমাপ্ৰকৃতিৰ মিলনত সৃষ্টি হোৱা বাবে স্পন্দনশক্তিও পুৰুষ-প্ৰকৃতি নাইবা শিৱশক্তি আদি উভয় নামেৰে পৰিচিত হয়—

*"শক্তিৰূপ স্থিতশ্চন্দ্ৰো বামনাড়ী প্ৰৱাহকঃ।*
*দক্ষনাড়ীপ্ৰৱাহশ্চ শম্ভুৰূপী দিবাকৰঃ।।"*

আনহাতে, জীৱ হৃদয়স্থ প্ৰাণ বা স্পন্দন শক্তিয়েই প্ৰাণ-অপানৰ উভয় দিশত গতি কৰা 'হংস' বা 'অজপা মন্ত্ৰ'—

*"হঙ্কাৰণে বহিৰ্য্যাতি সংকাৰেণ বিশেৎ পুনঃ।*
*হংসহংসেত্যতোমন্ত্ৰং জীৱো জপতি সৰ্বদা।।"*

ওঁ-কাৰ সাধনাত ত্ৰিৰত্নৰ উপলব্ধি কৰাটো বিধান। এই ত্ৰিৰত্ন হৈছে— ক) চিৎ স্বৰূপ ঈশ্বৰ বা পৰম শিৱ, খ) পৰমশিৱৰে সৈতে নিত্যযুক্ত চিৎশক্তি, গ) বিন্দু, মহামায়া বা কুণ্ডলিনী।

অ-উ-ম কাৰে যথাক্ৰমে ভূঃ, ভূৱঃ আৰু স্ব-লোকক বুজাইছে। প্ৰণৱ ব্ৰহ্ম স্বৰূপ। গতিকে, প্ৰণৱ নিৰ্ভৰ ব্যক্তিৰ কেতিয়াও ভয় নাথাকে—

*“যুঞ্জীত প্ৰণৱে চেতঃ প্ৰণৱো ব্ৰহ্ম নিৰ্ভয়ং।*
*প্ৰণৱে নিত্যযুক্তস্য ন ভয়ং বিদ্যতে কশ্চিৎ।।”*

‘হঠযোগ’ত মনৰ একাগ্ৰতা সৃষ্টি তথা সমাধি লাভত প্ৰণৱ তথা গায়ত্ৰী মন্ত্ৰৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। হঠযোগী আৰু তান্ত্ৰিকসকলে নিৰ্গুণ ব্ৰহ্ম উপলব্ধিৰ বাবে উচ্চাৰণ কৰা অনাহত ধ্বনিৰ আধাৰো হ’ল শব্দ স্বৰূপ ব্ৰহ্ম, যাক তেওঁলোকে নাদ-ব্ৰহ্ম আখ্যা দিছে। তান্ত্ৰিকসকলে মন্ত্ৰৰ মাধ্যমেৰে শিৱশক্তিৰ তত্ত্ব উপলব্ধিৰ প্ৰয়াস কৰে আৰু উভয়কে বুজাবৰ বাবে যথাক্ৰমে বিন্দু আৰু নাদ শব্দ দুটিৰ প্ৰয়োগ কৰে। বিন্দুৰ অস্তিত্ব আছে যদিও নাদৰ অবিহনে ইয়াৰ বিস্তাৰ বা প্ৰসাৰ অসম্ভৱ। সেইবাবেই শক্তিক নাদ আখ্যা দিয়া হৈছে। মন্ত্ৰসমূহ নাদৰেই বিকাৰ মাত্ৰ।

ভাৰতীয় আধ্যাত্মিক জীৱনত গায়ত্ৰী মন্ত্ৰৰ প্ৰভাৱ অনস্বীকাৰ্য। ঋক্‌বেদত গায়ত্ৰী মন্ত্ৰৰ যোগেদি সূৰ্য্যদেৱতাক স্তুতি কৰা হৈছে। মন্ত্ৰত প্ৰণৱ স্বৰূপ গায়ত্ৰী মন্ত্ৰৰ সঞ্চালনী উল্লেখ পোৱা যায়। বিভিন্ন মন্ত্ৰৰ বীজমন্ত্ৰ স্বৰূপে মন্ত্ৰ উচ্চাৰণ কৰাৰ আগতেই ‘ওম্’ উচ্চাৰণ কৰা হয়। মন্ত্ৰত ব্যৱহৃত ঔং, হ্ৰীং, ক্লীং ফট্ আদি মন্ত্ৰত ব্যৱহৃত শব্দসমূহ গুপুত সাধনাৰ ইঙ্গিত মাত্ৰ। বৌদ্ধ তন্ত্ৰতো এনে উল্লেখ পোৱা যায়। দেৱ-দেৱীৰ পূজাত এক অক্ষৰযুক্ত মন্ত্ৰ কিছুমান প্ৰাৰ্থনামূলক অথবা প্ৰশংসামূলক মন্ত্ৰৰ সৈতে আবৃত্তি কৰা হয়, যিবোৰক বিভিন্ন দেৱ-দেৱীৰ বীজমন্ত্ৰ আখ্যা দিব পাৰি। মন্ত্ৰসমূহক বেদবিহিত কৰিবৰ কাৰণে ওঁ, স্বাহা ইত্যাদি মঙ্গলবচন সংযোগ কৰা হৈছে। যেনে— “সৰ্বাঙ্ক নাশায় স্বাহা” —ইত্যাদি।

বীজমন্ত্ৰসমূহ প্ৰায়ে এক অক্ষৰ বিশিষ্ট; যেনে— ক্লীং, ক্ৰীং, শ্ৰীং, ঐং, হুং, ক্ষৌং, যাং, ৰাং, লাং, বাং, ক্ৰোং, দং ইত্যাদি। প্ৰতি গৰাকী দেৱ-দেৱীৰেই সুকীয়া সুকীয়া বীজমন্ত্ৰ আছে, যাৰ যোগেদি সেই সেই দেৱীক জাগ্ৰত কৰিব পাৰি বুলি ধাৰণা কৰা হয়। যেনে—

*দুৰ্গাঃ   ওম্ হ্ৰীং দুৰ্গায়ৈ নমঃ।*
*সূৰ্য্যঃ  ওম্ হ্ৰীং শ্ৰীসূৰ্য্যায়ৈ নমঃ।* ইত্যাদি।

মন্ত্ৰত উচ্চাৰিত এনে ধ্বনিৰ স্পন্দনে মন্ত্ৰ সাহিত্যৰ গাম্ভীৰ্য বৃদ্ধি কৰিছে। জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো স্তৰৰ মানুহৰ মাজত মন্ত্ৰৰ বিশ্বাস থকাৰ বাবেই মন্ত্ৰ সাহিত্যক ‘জন সাহিত্য’ (Popular Poetry) আখ্যা দিয়া হৈছে।

তন্ত্ৰ-মন্ত্ৰৰ মূলতে হৈছে নাৰী বা স্ত্ৰী শক্তি। তান্ত্ৰিক পূজাৰ বাবে মাছ, মঙহ আৰু নাৰী অত্যাৱশ্যকীয়— “বিনা শক্তিং ন পূজ্যান্তি মৎস্য-মাংসং বিনা প্ৰিয়ে।” তান্ত্ৰিকসকলৰ নাৰী-সাধনা আৰু সহজীয়া পন্থীসকলৰ নাৰী-সাধনাৰ মাজত সাদৃশ্য লক্ষ্য কৰা যায়। উভয় সাধনাতেই পৰকীয়া প্ৰীতিত গুৰুত্ব দিয়া হৈছে। সহজাত

প্ৰেম বা ভালপোৱাই সমাজ বান্ধনিৰ মুখ্য প্ৰবৃত্তি আৰু ইয়াৰ ফলতেই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি সম্ভৱ হৈছে। সহজীয়া পন্থাত ধৰ্মাচৰণৰ বাবে কামত অতিক্ৰম কৰি প্ৰেমময় ভগৱানৰ স্বৰূপ উপলব্ধি কৰাটোৱেই মূল লক্ষ্য।

বজালি, বিষালি, সৰ্বঢাক, কৰতি আদি বিভিন্ন মন্ত্ৰৰ বিষয়বস্তু মূলতঃ মহাদেৱ-পাৰ্বতী, নেতা-পদ্মাৱতী অথবা মোহিনী-মহাদেৱ আদিৰ প্ৰেমলীলা। সাপৰ বিষ জৰা প্ৰায়বোৰ মন্ত্ৰতো নাগমাতা পদ্মাৱতীৰ বিবিধ কাৰ্যকলাপৰ বৰ্ণনা পোৱা যায়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** নাৰীসকলৰ লগত তন্ত্ৰ-মন্ত্ৰৰ কিবা সম্পৰ্ক আছেনে?
(১৫০টা শব্দৰ ভিতৰত লিখক)

- **মন্ত্ৰৰ শক্তি ঃ** মন্ত্ৰৰ অন্তৰ্নিহিত শক্তি সম্পৰ্কে উল্লেখ কৰি হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে— “প্ৰতি মন্ত্ৰতে দুটা ভাগ থাকে। তাৰ এভাগক ‘সিদ্ধ’ বা ‘বীজমন্ত্ৰ’ বোলে, আৰু আনভাগক ‘সাধ্যমন্ত্ৰ’ বোলে। হ্ৰীং, ক্লীং, ফট্ ইত্যাদি বীজবিলাক ঋষিবিলাকে তপস্যা কৰি ধ্যানত লাভ কৰা; সেই গুণে সেই ভাগ নিত্যসিদ্ধ মন্ত্ৰ। যি ভাগত ৰোগৰ জন্ম, দেৱতা আদিৰ প্ৰতি তুতি-নতি আৰু ৰোগে এৰি গ'ল— ৰোগীৰ মনত এনে ভাব জন্মোৱা কথা আছে, সেই ভাগকে ‘সাধ্যমন্ত্ৰ’ বোলে। কিয়নো, এই ভাগকে ওজাই নিজে সাধন কৰি সিদ্ধি কৰি ল'ব লাগে, নহ'লে তাৰ একো গুণ নধৰে।”

  মন্ত্ৰ সাহিত্যৰ ‘স্পন্দন শক্তি’ৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়। মন্ত্ৰসমূহৰ ভাষাৰ ধ্বনি স্পন্দন (Sound Vibration)ৰ যোগেদি ইয়াৰ অন্তৰ্নিহিত অতিলৌকিক শক্তিৰ সাৰ্থকতা নিৰ্ভৰ কৰে, সেইবাবেই মন্ত্ৰৰাজিত প্ৰকৃত আৰু শুদ্ধ উচ্চাৰণৰ প্ৰতি অত্যধিক গুৰুত্ব প্ৰদান কৰা হৈছিল।

- **বৈদিক সাহিত্যত মন্ত্ৰ ঃ** শব্দ-শক্তি বা ধ্বনি বৈশিষ্ট্য মন্ত্ৰৰাজিৰ অন্যতম বিশেষত্ব। বৈদিক সাহিত্যক ‘মন্ত্ৰ’ আৰু ‘ব্ৰাহ্মণ’ —এই দুই ভাগত বিভক্ত কৰা হৈছে। যজ্ঞৰ বিভিন্ন গুৰু, দেৱ-দেৱীৰ উপাসনাৰ বাবে মন্ত্ৰবোৰ আবৃত্ত হয়। আনহাতে, যজ্ঞৰ পদ্ধতি-প্ৰণালী আদিৰ বৰ্ণনাত ব্ৰাহ্মণ ভাগটোৱে গুৰুত্ব দিয়ে।

  বৈদিক সাহিত্যত শব্দক ব্ৰহ্ম আখ্যা দিয়া হৈছে। প্ৰকৃতাৰ্থত শব্দই হৈছে ব্ৰহ্মৰ প্ৰথম অমূৰ্ত প্ৰকাশ।

- **মন্ত্ৰৰ ভাষা ঃ** গোৰক্ষনাথ বিৰচিত *কামৰত্ন তন্ত্ৰৰ* মন্ত্ৰবোৰ সংস্কৃতীয়া। দুই-এটি মন্ত্ৰৰ ভাষা আৰু ৰচনাৰীতিত অৰ্বাচীনতাৰ স্বাক্ষৰ স্পষ্ট। উদাহৰণস্বৰূপে ‘মুখভঙ্গা মন্ত্ৰ’ৰ উল্লেখ কৰিব পাৰি—

  “পাৰ্বতীয়ে বোলে জানা মহাদেউ কৃষি কৰিব লাগে। ভিক্ষাৰ চাউলেৰে পেট নভৰে। তিনি-চাৰি প্ৰাণী, কাৰ্তিক গণপতি, মই বুদ্ধি দিওঁ, তুমি কৃষি লোৱা। কুবেৰৰ তালৈ যোৱা কঠীয়া আনা,, বলোভদ্ৰ গোসাঁইৰ তালৈ যোৱা, নাঙল-যুঁৱলি আনা।

ইন্দ্ৰ তালৈ যোৱা মাটি দিব। যম ৰজাৰ তালৈ যোৱা, মহিষটি আনা, তোমাৰ বলধটিৰে এহাল কৰা।” ইত্যাদি।

কিছুমান মন্ত্ৰ যথেষ্ট দীঘল আৰু ইয়াত *ৰামায়ণ, মহাভাৰত, পুৰাণ* আদিৰ একো একোটা কাহিনী সন্নিৱিষ্ট কৰা হৈছে। ‘বলিয়া কুকুৰে খোৱা মন্ত্ৰ’ত কুকুৰৰ সৃষ্টি সম্পৰ্কে এটি কাহিনী সন্নিৱিষ্ট কৰা হৈছে—

“মাঘ মাহে প্ৰতিপদ তিথি, সৰমাত হন্তে কুটা ভৈলা উৎপত্তি। উৎপত্তি হন্তে কুটা আগ ভৈল, এতেকে সৰমা কুকুৰ নাম থৈল। চাৰি চাৰি গোটা দান্ত কৰি জেঙ্গ জেঙ্গ; সৰ্বকালে তোহোৰ নুগুছে খেঙ্গ খেঙ্গ। জাতিগণ সহিতে সদায়ে অমঙ্গল; যৈত আছে নুগুছে কন্দন। হেন দেখি সৰমাৰ মনে মহাতাপ; ক্ৰোধ কৰি সৰমায়ে তোক দিলে শাপ, তোৰ ঘাৱে মৃত্যু নোহোক কোনো প্ৰাণী।” ইত্যাদি।

জুয়ে পোৰা ঘা শুকুৱাবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰটিৰ কাহিনীভাগ মূল *ৰামায়ণ*ৰ। তাৰ বৰ্ণনা এনে ধৰণৰ—

“ৰামে ফালিলে খৰি, লক্ষ্মণে জ্বালিলে জুই; সীতাই পানী ঢালিলে থাকে, যেন তেনে হৈ।... লঙ্কাৰ অগ্নি হনুমন্তই খাই, মুখৰ অগ্নি মুখে নুমাই।” ইত্যাদি।

*ৰাম কৰতি* পুথিত কেইটিমান পদৰ ভিতৰতে *ৰামায়ণ*ৰ কাহিনীভাগ দাঙি ধৰা হৈছে। সেইদৰে *বায়ুমন্ত্ৰ*ত হনুমান বান্ধ খোৱাৰ কথা আৰু *ইন্দ্ৰ কৰতি*ত অৰ্জুনে কৰতিবাণ ছেদ কৰাৰ কথা উল্লেখ কৰিছে।

- **মন্ত্ৰ সিদ্ধিৰ বাবে গুৰুৰ প্ৰাধান্য ঃ** মন্ত্ৰত সিদ্ধি লাভ কৰিবলৈ হ’লে গুৰু অপৰিহাৰ্য। ভালেমান মন্ত্ৰত সিদ্ধিৰ কাৰণে গুৰু কামাখ্যা দেৱীক চিন্তা কৰা দেখা যায়।

  *“সিদ্ধ গুৰুৰ পাৱ, ৰক্ষা কৰ কামৰূপৰ কামাখ্যা মাৱ।”*

  *“গুৰুক সুমৰি সাত প্ৰহৰৰ বাট যাওঁ।”* (কৰতি মন্ত্ৰ)

- **মন্ত্ৰৰ ব্যাপকতা ঃ** মন্ত্ৰ সাহিত্যৰ বিষয়বস্তু ব্যাপক। নিৰক্ষৰ গ্ৰাম্য জনসাধাৰণৰ বিশ্বাস-অন্ধবিশ্বাসৰ পৰা আৰম্ভ কৰি শাস্ত্ৰীয় তথা পৌৰাণিক আৰু মহাকাব্যিক ঐতিহ্যৰ বহুতো কথাই মন্ত্ৰ সাহিত্যৰ অন্তৰ্ভুক্ত হোৱাত ইয়াৰ পৰিসৰ বৃদ্ধি পাইছে। মন্ত্ৰসমূহ অসমীয়া, সংস্কৃত আৰু জনজাতীয় ভাষাতো পোৱা যায়।

মন্ত্ৰবোৰ জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত সমানে প্ৰচলিত। কোনো কোনো মন্ত্ৰত ‘গড়িয়া বেজ’ৰো উল্লেখ পোৱা যায়। বেদবাহ্য আচৰণৰ সৈতে জড়িত বাবেই মন্ত্ৰক বেদৰ বাহিৰৰ সাহিত্য বা ‘ওভোটা বেদ’ বোলা হৈছে।

কিছুমান মন্ত্ৰ অতি সংক্ষিপ্ত আৰু দুই-তিনিটা শব্দৰ সমষ্টি মাথোন। এই মন্ত্ৰসমূহ এশ আঠবাৰ বা ততোধিক সংখ্যক জপ কৰাৰ বিধি প্ৰচলিত হৈ আহিছে। *যোগিনীতন্ত্ৰ*ত এটা সৰ্বঢাক মন্ত্ৰ উল্লেখ কৰি সেই মন্ত্ৰ নিতৌ পাঠ কৰি যথানিয়মে নিৰ্মিত কৱচ ধাৰণ কৰিলে সকলো প্ৰকাৰৰ সৌভাগ্য লাভ হয় বুলি কোৱা হৈছে।

হিন্দু ধৰ্মৰ দৰেই বৌদ্ধধৰ্মতো মন্ত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বৌদ্ধধৰ্মত বিশেষকৈ মহাযান বৌদ্ধধৰ্মৰ অন্তৰ্গত তান্ত্ৰিক মাৰ্গত হিন্দুধৰ্মৰ দৰেই মন্ত্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকা লক্ষ্য কৰা যায়। ইছলাম ধৰ্মীসকলৰ মাজতো মন্ত্ৰৰ প্ৰচলন আছে।

বৌদ্ধধৰ্মৰ ধাৰণী মন্ত্ৰৰ সাদৃশ্যৰ বিষয়ে উল্লেখ কৰি বিৰিঞ্চি কুমাৰ বৰুৱা ডাঙৰীয়াই লিখিছে— "মধ্যযুগৰ বৌদ্ধধৰ্মতো এনে ধৰণৰ জৰা-ফুৰা মন্ত্ৰৰ বিশেষ প্ৰচলন হৈছিল। ইয়াৰ নাম আছিল 'ধাৰণী' বা 'পৰিত্তা' অৰ্থাৎ যি মন্ত্ৰই বিপদৰ পৰা ধৰি ৰাখে অথবা পৰিত্ৰাণ কৰে।"

'ধৰণী মন্ত্ৰ'ত আছে—

*"ধৰণী কটকট ধৰণী ছাৰ, মোৰ ধৰণীৰ উপৰে বিষ নাই আৰ।।*
*নাযা ধৰণী নাযা জল। বিষ নামি যা পাতালপুৰ।*
*যেবে ছাৰি বিষ উপৰে যাস। আই পদ্মকুমাৰীৰ মাথা খাস।।"* ইত্যাদি

➢ **মন্ত্ৰৰ সাহিত্যিক সৌন্দৰ্য্য ঃ** সাহিত্যিক দৃষ্টিভঙ্গীৰ পৰাও মন্ত্ৰসমূহৰ গুৰুত্ব অনস্বীকাৰ্য। মন্ত্ৰৰ অলৌকিক শক্তিৰ সৈতে মানুহৰ সহজাত বিশ্বাস আৰু আন্তৰিকতাৰ দিশতো জড়িত হৈ আছে।

গদ্যৰ সকলোবোৰ লক্ষণ নাথাকিলেও অসমীয়া গদ্যৰ ক্ৰমবিকাশৰ ইতিহাসত মন্ত্ৰ সাহিত্যত ব্যৱহৃত গদ্যৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে সৰহভাগতে বাক্য-বিন্যাস প্ৰকৰণৰ নিয়ম ৰক্ষিত হোৱা দেখা নাযায়। সেয়ে মন্ত্ৰৰ গদ্যক প্ৰকৃত গদ্য নুবুলি অসমীয়া গদ্যৰ প্ৰাৰম্ভিক নমুনা বোলাহে অধিক যুক্তিসঙ্গত।

জতুৱা ঠাঁচৰ সঘন প্ৰয়োগ আৰু আলঙ্কাৰিক বৰ্ণনাই মন্ত্ৰসমূহক সাহিত্যিক গুণেৰে সমৃদ্ধ কৰিছে। উদাহৰণ স্বৰূপে, সুদৰ্শন চক্ৰৰ ভয়ত পেপুৱা লগা যক্ষবোৰৰ প্ৰসঙ্গ উল্লেখ কৰিব পাৰি—

*"কাৰো একোখন কাণ কুলাৰ সমান।*
*এক কাণে দুই কাণ আৰু চাৰি কাণ।।*
*এক ভৰি দুই ভৰি কাৰো কোঙা ভৰি।*
*চক্ৰৰ ভয়ত সবে পলাই লৰৰি।।*
*অতি কতো ঢেলা কতো কণা কতো কুজা।*
*কতো কতো খোলা আৰু কতো বেজীমুৱা।।"*

সাহিত্য সৃষ্টিৰ উদ্দেশ্যে ৰচিত নহ'লেও মন্ত্ৰসমূহত বিবিধ ৰসৰ সমাহাৰ লক্ষ্য কৰা যায়। পুৰুষ মোহিনী মন্ত্ৰত শৃঙ্গাৰ ৰসৰ বৰ্ণনা অতি চমৎকাৰ—

"মোহিনী মোহিনী যদি মুহিবাক লৈলা। হস্ত গা, আঙ্গুলি জঙঘা অতি সৰু; দেখিলা যেন হৰৰ ডম্বৰু। হলফল কৰে যেন দুই স্তন, দেখিয়া পুৰুষৰ থিৰ নোহে মন।" ইত্যাদি।

- **মন্ত্ৰৰ শ্ৰেণীবিভাজন ঃ** মন্ত্ৰসমূহক প্ৰধানকৈ তিনি ভাগত ভগাব পাৰি— ক) প্ৰাৰ্থনা মন্ত্ৰ, খ) ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ আৰু গ) যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ।

বিভিন্ন প্ৰসঙ্গত দেৱ-দেৱীৰ অনুগ্ৰহ বিচাৰি কৰা স্তুতি বা প্ৰাৰ্থনাই প্ৰাৰ্থনা মন্ত্ৰৰ অন্তৰ্গত। আনহাতে, ধৰ্মীয় কৃত্যৰ সৈতে জড়িত আৰু হোম-যজ্ঞ-পূজা আদিৰ বিভিন্ন গুৰু স্তুতিৰ সৈতে ব্যৱহৃত মন্ত্ৰসমূহক ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ বুলিব পাৰি। ৰোগ-ব্যাধি ইত্যাদি নিৰাময়ৰ বাবে ব্যৱহৃত মন্ত্ৰবোৰেই হ'ল যাদুবিদ্যা সম্পৰ্কীয় মন্ত্ৰ। এই মন্ত্ৰ সাধাৰণতে দুই প্ৰকাৰৰ— স্তুতিমূলক আৰু ধমক প্ৰধান।

তালিকাৰ মাধ্যমেৰে এই শ্ৰেণীবিভাজন এনেদৰে দেখুৱাব পাৰি—

মন্ত্ৰৰ শ্ৰেণীবিভাজন

প্ৰাৰ্থনা মন্ত্ৰ | ধৰ্মীয়কৃত্যৰ সৈতে জড়িত মন্ত্ৰ | যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ

(যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ:) বিনয় বা স্তুতিমূলক | ধমক বা ধমকিপ্ৰধান

যাদুমূলক মন্ত্ৰক ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি সু-মন্ত্ৰ বা কল্যাণকাৰী যাদু আৰু কু-মন্ত্ৰ অথবা অকল্যাণকাৰী যাদুমন্ত্ৰ আখ্যা দিব পাৰি। কু-মন্ত্ৰসমূহ সাধাৰণতে 'অভিচাৰ মন্ত্ৰ' ৰূপে জনাজাত।

যাদু

শুক্ল যাদু বা কল্যাণকাৰী যাদু বা সু-মন্ত্ৰ | কৃষ্ণযাদু বা অকল্যাণকাৰী যাদু বা কু-মন্ত্ৰ

কু-মন্ত্ৰ প্ৰয়োগ পদ্ধতিক 'বাণ মৰা' বুলিও কোৱা হয়। এনে বাণ বিবিধ প্ৰকাৰৰ। যেনে— চক্ৰবাণ, বিষ্ণুবাণ, ৰুদ্ৰবাণ, সুদৰ্শন চক্ৰ বাণ, ত্ৰিশূল বাণ, শিৱ বাণ, পাশুপাত মন্ত্ৰ (বাণ), নৰসিংহ বাণ ইত্যাদি।

অসমীয়া মন্ত্ৰ সাহিত্যত যাদুমূলক মন্ত্ৰৰ পৰিসৰ যথেষ্ট ব্যাপক। এনে মন্ত্ৰৰ ভিতৰত সৰ্বঢাক মন্ত্ৰ, কৰতি মন্ত্ৰ, নৰসিংহ মন্ত্ৰ ক্ষেত্ৰপাল মন্ত্ৰ, পক্ষীৰাজ মন্ত্ৰ, মুখভঙ্গা মন্ত্ৰ, সৰ্পৰ ধৰণী মন্ত্ৰ, মোৰৰ মন্ত্ৰ, জ্বৰৰ মন্ত্ৰ, বৰবেজালি মন্ত্ৰ, মোহিনী মন্ত্ৰ আদিৰ উল্লেখ কৰিব পাৰি।

গোপনীয়তা মন্ত্ৰ সাহিত্যৰ অন্যতম বৈশিষ্ট্য। গুৰুৰ পৰা মন্ত্ৰ শিকি তেওঁলোকৰ নিৰ্দেশ মতে ইয়াৰ প্ৰয়োগ নকৰিলে মন্ত্ৰই কামত নিদিয়ে বুলি ধাৰণা কৰা হয়।

অসমৰ জনজাতীয় লোকসকলৰ মাজতো বিভিন্ন ধৰণৰ মন্ত্ৰৰ প্ৰচলন আছে। অসমৰ কাৰ্বি, ৰাভা, মিছিং, বড়ো, ডিমাচা ইত্যাদি জনগোষ্ঠীৰ মাজতো বিভিন্ন ধৰণৰ মন্ত্ৰৰ প্ৰচলন আছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** মন্ত্ৰৰ শ্ৰেণীবিভাজন বুলিলে কি বুজে? (১৫০টা শব্দৰ ভিতৰত লিখক)

- **মন্ত্ৰ সাহিত্যৰ বৈশিষ্ট্য ঃ**
  - গোপনীয়তা আৰু ৰক্ষণশীলতা মন্ত্ৰ সাহিত্যৰ দুটি লক্ষ্যণীয় বৈশিষ্ট্য। যুগ যুগ ধৰি মুখ-পৰম্পৰা ৰূপে চলি অহা বাবে মন্ত্ৰ সাহিত্যতো কিছু অবাৰ্চীনতা লক্ষ্য কৰা যায়।
  - মন্ত্ৰবোৰ মৌখিক সাহিত্যৰ অন্তৰ্গত।
  - মন্ত্ৰৰ সঠিক ৰচনাকাল নিৰ্ণয় কৰা কঠিন।
  - লোকসাহিত্যৰ অন্যান্য শাখাৰ দৰে প্ৰচাৰ আৰু প্ৰসাৰ নোহোৱা বাবে অৰ্থাৎ ৰক্ষণশীলতাৰ বাবে মন্ত্ৰৰ ভাষা পৰিৱৰ্তনৰ ৰূপ কম।
  - মন্ত্ৰত ৰচোঁতাৰ নাম পোৱা নাযায়।
  - জৰা-ফুকা ইত্যাদি বেদবাহ্য আচৰণৰ বাবে মন্ত্ৰসমূহক 'ওভোটা বেদ' আখ্যা দিয়া হৈছে।
  - মন্ত্ৰবোৰ ছন্দগন্ধী, অন্ত্যানুপ্ৰাসযুক্ত আৰু প্ৰায়বোৰ মন্ত্ৰতেই শেষবৰ্ণৰ মিল লক্ষ্য কৰা যায়।
  - মন্ত্ৰসমূহৰ শাৰীৰ দৈৰ্ঘ্য আৰু ধ্বনিৰ সংখ্যা সকলো ক্ষেত্ৰতে সমান নহয়।
  - মন্ত্ৰত ঠায়ে ঠায়ে *পুৰাণ*, মহাকাব্য আদিৰ কাহিনীৰ পুনৰাবৃত্তি লক্ষ্য কৰা যায়।
  - মন্ত্ৰসমূহত মধ্যযুগৰ অসমত বসবাস কৰা বিবিধ জনগোষ্ঠীৰ লোকবিশ্বাসৰ প্ৰতিফলন ঘটিছে।
  - বিবিধ উপকথাৰ সংযোগে মন্ত্ৰৰ পৰিসৰ বৃদ্ধিত সহায় কৰিছে।
  - অসংলগ্নতা ইয়াৰ অন্য এক বৈশিষ্ট্য।
  - লোকবিশ্বাস আৰু অলৌকিক শক্তিত বিশ্বাসে মন্ত্ৰৰ জনপ্ৰিয়তা বৃদ্ধিত সহায় কৰিছে।
  - কিছুমান মন্ত্ৰত অবাচ্য আৰু অশ্লীল শব্দৰো প্ৰয়োগ লক্ষ্য কৰা যায়। বিশেষকৈ চেলাৰ বিষ জৰা-ফুকা ইত্যাদি মন্ত্ৰবোৰত অশ্লীল শব্দৰ পয়োভৰ দেখা যায়।
  - মন্ত্ৰত শৃঙ্গাৰ, অদ্ভুত, ভয়ানক ইত্যাদি বিবিধ ৰসৰ সমাহাৰ লক্ষ্য কৰা যায়।
  - মন্ত্ৰসমূহত প্ৰায়ে পুনৰুক্তিৰ প্ৰাধান্য দেখা যায়। যেনে— ব্ৰহ্মাৰ গাঁঠি কাটো, বিষ্ণুৰ গাঁঠি কাটো। ৰুদ্ৰৰ গাঁঠি কাটো... ইত্যাদি।
  - মন্ত্ৰৰ ঠাইবিশেষে তান্ত্ৰিক বীজমন্ত্ৰৰ প্ৰয়োগ কৰি ৰহস্যঘন পৰিৱেশ সৃষ্টি কৰা হৈছে।

- মন্ত্ৰসমূহ সাহিত্যিক দিশৰ পৰাও গুৰুত্বপূৰ্ণ। বিভিন্ন ৰস, অলঙ্কাৰ আৰু জতুৱা ঠাঁচৰ সংযোগে মন্ত্ৰৰ সাহিত্যিক সৌন্দৰ্য্য বৰ্দ্ধনত সহায় কৰিছে।
- মন্ত্ৰসমূহত ৰচকৰ বৰ্ণনা শক্তিৰো পৰিচয় পোৱা যায়।
- মন্ত্ৰসমূহ স্থানবিশেষে সৃষ্টিতত্ত্বৰ বৰ্ণনাও সন্নিৱিষ্ট হৈছে।
- মন্ত্ৰসমূহৰ ভাষা কথিত ভাষাৰ ওচৰ চপা।
- মন্ত্ৰসমূহত বৈদিক, অবৈদিক উভয় পৰম্পৰাৰ পৰিচয় পোৱা যায়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** মন্ত্ৰ সাহিত্যৰ বৈশিষ্ট্য আৰু ইয়াৰ সৌন্দৰ্য্যৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত লিখক)

মন্ত্ৰসমূহ অসমৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া বিশ্বাস আৰু জীৱন-অভিজ্ঞতাৰ স্তুপীকৃত ৰূপ। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি-পৰম্পৰা, লোক-বিশ্বাস, কল্পনা আৰু আৰ্থ-সামাজিক দিশৰ সৈতে জড়িত ভালেমান বিষয় মন্ত্ৰ সাহিত্যৰ মাজেদি প্ৰতিফলিত হৈছে। মন্ত্ৰসমূহ মূলতঃ পৌৰাণিক আৰু মহাকাব্যিক ঐতিহ্যৰ লোক-ৰূপ বুলিব পাৰি। গাৰ্হস্থ্য জীৱনত পালন কৰিবলগীয়া নীতি-নিয়মৰে পৰা আৰম্ভ কৰি আয়ুৰ্বেদ সম্পৰ্কীয় জ্ঞান আৰু বিশ্বাসলৈকে, লোকাচাৰ আৰু লোকৰীতিৰ পৰা আৰম্ভ কৰি লোক-চিকিৎসা আৰু লোক-পূজা পদ্ধতিলৈ বৈদিক আৰু অবৈদিক উভয় পৰম্পৰাৰ স্বৰূপ মন্ত্ৰসমূহৰ মাজেদি ফুটি উঠিছে। মন্ত্ৰসমূহৰ উপযুক্ত সংৰক্ষণ আৰু প্ৰণালীবদ্ধ অধ্যয়নৰ যোগেদি মধ্যযুগৰ অসমৰ ধৰ্মীয় ঐতিহ্য বিশেষকৈ তান্ত্ৰিক ধৰ্ম, মহাযান বৌদ্ধধৰ্ম, সহজীয়া ধৰ্ম ইত্যাদিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাৰ লগতে মধ্যযুগৰ অসমৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে অধ্যয়নতো মন্ত্ৰ সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি সিদ্ধান্ত কৰিব পৰা যায়।

## ২.৪.২ ডাকৰ বচন, ইয়াৰ পৰিচয় আৰু বিষয়বস্তু

লোকসাহিত্যই যুগ যুগ ধৰি জনজীৱনৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। অসমীয়া নিৰক্ষৰ জনসাধাৰণৰ বাবে ‘ডাকৰ বচন’ বেদৰ বাণীৰ দৰেই ব্যৱহাৰিক জ্ঞানৰ এখনি মৌখিক বিশ্বকোষ। তেওঁলোকে বেদ নামানিব পাৰে, কিন্তু ডাকৰ বচন তেওঁলোকৰ হাড়ে-হিমজুৰে মিলি আছে। এই বাণীসমূহ জনগণৰ কাৰণে বিবেক বাণী স্বৰূপ।

সমাজত বিশেষকৈ কৃষিপ্ৰধান সমাজৰ লাগতিয়াল আৰু ব্যৱহাৰিক বিষয়ৰ জ্ঞান ডাকৰ বচনত থুপাই থোৱা হৈছে। শ শ বছৰ ধৰি লাভ কৰা ব্যৱহাৰিক অভিজ্ঞতা, ৰুচি-অভিৰুচি, শুভাশুভৰ ধাৰণা, বিশ্বাসৰ আধাৰভূমি এই বচনসমূহ। ডাকৰ বচনসমূহত সমাজ জীৱনৰ অভিজ্ঞতাৰ ভালেমান দিশ সামৰি লোৱা হৈছে। তেনে বিষয়ৰ ভিতৰত

ধৰ্ম প্ৰকৰণ, নীতি প্ৰকৰণ, ৰন্ধন প্ৰকৰণ, গৃহিণী লক্ষণ, পুৰুষ লক্ষণ, স্বাস্থ্য প্ৰকৰণ, কৃষি লক্ষণ, বৰ্ষা লক্ষণ, জ্যোতিষ প্ৰকৰণ প্ৰভৃতি বিভিন্ন বিষয়ৰ লাগতিয়াল কথা সন্নিৱিষ্ট কৰা হৈছে।

ডাকৰ বচনে যুগ যুগ ধৰি লাভ কৰা অভিজ্ঞতাৰাজিৰ যোগেদি সমাজ জীৱনৰ বিভিন্ন সমস্যা সমাধান কৰাটো সম্ভৱ হৈছে। বিশেষকৈ কৃষিজীৱী জনসাধাৰণে দৈনন্দিন জীৱনত সন্মুখীন হোৱা সমস্যাৰাজিৰ বিষয়ে অৱগত হৈ সেইসমূহ সমাধানৰ কাৰণে লোকজ্ঞান আৰু অভিজ্ঞতাক কেনে ধৰণে ব্যৱহাৰ কৰিব, সেই বিষয়ে ভালদৰে জানিবৰ কাৰণে এই বিষয়বস্তু নিৰ্বাচন কৰা হৈছে।

'ডাকৰ বচন'ৰ অনুৰূপ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত খনাৰ বচন, ডঙ্ক, ভড্ডৰ, ভড্ডৰী আদিৰ উল্লেখ পোৱা যায়। এই আটাইবোৰ ব্যক্তিৰ স্ৰষ্টা হিচাপে একোজন বিশেষ ব্যক্তিৰ নাম উল্লেখ কৰিলেও ডাক, খনা, ডঙ্ক, ভড্ডৰ আদি যে ঐতিহাসিক ব্যক্তি নহয়, সেই সম্পৰ্কে বিভিন্নজনে মত পোষণ কৰিছে। তাৰ বিপৰীতে এই প্ৰবচনসমূহ এটা জাতিৰ পুৰুষানুক্ৰমে সংৰক্ষিত জ্ঞানৰ সামগ্ৰিক ৰূপ বুলিহে কোনো কোনোৱে মন্তব্য কৰিছে। আমাৰ আলোচনাত এই দিশটোৱেও গুৰুত্ব লাভ কৰিব।

মুঠতে ডাক পুৰুষ ঐতিহাসিকত্ব, ডাক, খনা আদিৰ নামত প্ৰচলিত প্ৰবচনসমূহৰ বিষয়বস্তু, ঐতিহাসিক গুৰুত্ব ইত্যাদি বিভিন্ন দিশৰ অধ্যয়নৰ বাবে এই আলোচনাৰ অৱতাৰণা কৰা হৈছে।

➢ **পৰিসৰ আৰু পৰিসীমা ঃ** এই আলোচনা মূলতঃ ডাক-প্ৰবচন বিষয়তে সীমাবদ্ধ থাকিব। ডাকৰ বচনৰ উপৰি লোকসমাজত অন্যান্য ভালেমান প্ৰবাদ-প্ৰবচন আছে। আনহাতে, এনে প্ৰবচনৰ কিছুমানৰ সৈতে ডাক-প্ৰবচনৰ আংশিক সাদৃশ্যও বিদ্যমান। মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহাৰ বাবে ডাক-প্ৰবচনত ভালেমান পাঠান্তৰ দৃষ্টিগোচৰ হয়। সেইবাবে হেমচন্দ্ৰ গোস্বামী সংগৃহীত *অসমীয়া সাহিত্যৰ চানেকি*ৰ অন্তৰ্গত 'ডাকৰ বচন'ৰ আধাৰতেই আলোচনা প্ৰস্তুত কৰা হৈছে।

*ডাকাৰ্ণৱ* গ্ৰন্থত 'ডাক' পদৰ প্ৰয়োগ একাধিকবাৰ পৰিদৃষ্ট নোহোৱাকৈ নাথাকে। যেনে—

*"ডাক ঃ সম্ভৱতে তস্মাৎ মহামণ্ডলযোগতঃ।"*

অৰ্থাৎ মহামণ্ডলৰ সংযোগৰ পৰা ডাকৰ জন্ম হয়। সেইবাবে 'সৰ্ব্বডাকিনীময়ঃ সত্বো বজ্ৰডাকঃ পৰংসুখ।' অৰ্থাৎ প্ৰাণ ডাকিনীময় আৰু বজ্ৰডাকহে পৰম সুখৰ আধাৰ। ইয়াৰ 'ডাক' পদে সহজজ্ঞানী (বৌদ্ধ সহজীয়া) সিদ্ধ পুৰুষক সূচীত কৰিছে।

অসমত প্ৰচলিত পৰম্পৰা অনুসৰি জন্ম হৈয়েই ডাক দিয়াৰ কাৰণে ডাক পুৰুষৰ নাম ডাক ৰখা হৈছিল। যিজন সিদ্ধ পুৰুষে ভৱিষ্যতৰ বিষয়ে ক'ব পাৰে, অৰ্থাৎ ভৱিষ্যৎবাণী কৰিব পাৰে তেৱেঁই ডাক। গতিকে ডাকপুৰুষ সমাসবদ্ধ পদটোৰ প্ৰয়োগ বিশেষণ ৰূপেহে, বিশেষ্য ৰূপে নহয়।

বংগ দেশত ডাক জ্যোতিষী ৰূপেহে প্ৰসিদ্ধ। গতিকে ডাকৰ ঘোষণা বা উক্তিয়েই ডাকৰ বচন। তিব্বতী ভাষাত 'ডাক' শব্দৰ অৰ্থ হৈছে জ্ঞান। গতিকে ডাকৰ বচন মানে জ্ঞানীজনৰ প্ৰবচন।

- **বিষয়বস্তু ঃ** ডাকৰ বচন বা ডাক-প্ৰবচনৰ দৰে প্ৰবচন ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোকসমাজতো প্ৰচলিত হৈ আহিছে। ডাকবচন বা ডাক প্ৰবচনবোৰৰ সৈতে ডাক, খনা, ডঙ্ক, ভড্ডৰ, ঘাঘ, ভড্ডৰি আদি ব্যক্তিৰ নাম জড়িত। কোনো কোনোৱে আকৌ *ডাকাৰ্ণৱ* গ্ৰন্থৰ সৈতেও ডাক-প্ৰবচনবোৰৰ সম্পৰ্ক স্থাপন কৰিব খোজে। কিন্তু *ডাকাৰ্ণৱ*ৰ বিষয়বস্তু আৰু প্ৰসঙ্গৰ সৈতে ডাকৰ বচনৰ মিল দেখা নাযায়।

ষষ্ঠ শতিকাৰ বিখ্যাত ভাৰতীয় জ্যোতিষী বৰাহমিহিৰ নামৰ এগৰাকী ব্যক্তিৰ সৈতে ডাকৰ নামটো জড়িত কৰা দেখা যায়। কিন্তু ডাক এগৰাকী ঐতিহাসিক ব্যক্তি হয়নে নহয়, এই সম্পৰ্কত মতভেদ বিদ্যমান। ডাকৰ বচনৰ দৰে প্ৰচলিত কিছুমান কথা অসমৰ লগতে ভাৰতৰ অন্যান্য ঠাইতো প্ৰচলিত আৰু এইবোৰ ডাক, খনা, ভড্ডৰ, ডঙ্ক, ভড্ডৰী প্ৰভৃতি বিভিন্ন ব্যক্তিৰ নামৰ সৈতে এই বচনসমূহ জড়িত হৈ থকা দেখা যায়।

অসমৰ জাতীয় জীৱনৰ সৈতে ডাকৰ বচনৰ সম্পৰ্ক অতি নিবিড়। উত্তৰ-পূব ভাৰতৰ প্ৰায় সকলো ভাষাতেই ডাক পুৰুষৰ নামত প্ৰচলিত প্ৰবচনৰাজিৰ অনুৰূপ বচনৰ প্ৰচলন থকাৰ বাবে বচনসমূহৰ মাজত সাৰ্বজনীন ঐক্য আৰু জনজীৱনৰ অভিজ্ঞতাৰ স্বাক্ষৰ বিদ্যমান।

ডাক ইতিহাস প্ৰসিদ্ধ ব্যক্তি হয়নে নহয়, এই সম্পৰ্কত যথেষ্ট মতভেদ আছে। অধ্যাপক আশুতোষ ভট্টাচাৰ্যই তেওঁৰ *বাংলাৰ লোকসাহিত* শীৰ্ষক গ্ৰন্থত খনাৰ বচন, ডাকৰ বচনক 'নৈসৰ্গিক চড়া'ৰ ভিতৰত ধৰিছে; আৰু লিখিছে, "ডাক কোনো ব্যক্তিৰ নাম নহয়, এক শ্ৰেণীৰ বৌদ্ধতান্ত্ৰিক সাধকক 'ডাক' বোলা হৈছিল।" *ডাকাৰ্ণৱ*তো অনুৰূপ ইঙ্গিত পোৱা যায়।

> *"অন্তৰালেষু যচ্চিত্তং তচ্চিত্তং সৰমসীগতম্।*
> *ডাকঃ সম্ভৱতে তস্মাৎ মহামণ্ডল যোগতঃ।।" (ডাকাৰ্ণৱ)*

ডাকৰ বচনত কেইবা শতিকাৰো অভিজ্ঞতাৰ স্বাক্ষৰ সন্নিৱিষ্ট হৈ আছে। জনপ্ৰিয়তাৰ কাৰণেই ডাকৰ বচনসমূহত অৰ্বাচিনতা আৰু প্ৰক্ষিপ্ততাৰ প্ৰয়োগ যথেষ্ট। ডাকৰ বচনত "জাতীয় মানসিকতা, জাতীয় ভাবধাৰা, জাতীয় আৱশ্যক অনাৱশ্যকবোৰ, জাতীয় সুখ-দুখৰ ধাৰণা —এই সকলোবোৰ ডাকৰ বচনৰ যোগেদি ধৰা পৰিছে।"

বংগদেশ আৰু বাংলাদেশত খনা আৰু ডাক একাকাৰ হৈ পৰিছে। কোনো কোনো পণ্ডিতে অনুমান কৰে যে বংগদেশত প্ৰচলিত খনাৰ বচনবোৰেই অসম আৰু মিথিলাত ডাকৰ বচন আখ্যা দিয়া হয়। অসম আৰু বংগত ডাকৰ নামত প্ৰচলিত প্ৰবচনবোৰৰ মাজতো ভালেমান সাদৃশ্য লক্ষ্য কৰা যায়। আনহাতে, অসম আৰু

বংগদেশৰ দৰেই পশ্চিম উৰিষ্যাৰ লোকসমাজত প্ৰচলিত কৃষি আৰু জ্যোতিষৰ সৈতে জড়িত বচনসমূহক ডাকৰ সৈতে সাঙোৰা হৈছে। অসম, বংগ আৰু ওডিসাৰ দৰে মিথিলাতো ডাকৰ বচনৰ প্ৰচলন আছে। অসমীয়া ডাকৰ বচনৰ সৈতে মৈথিলী ভাষাত প্ৰচলিত ডাকৰ বচনৰো সাদৃশ্য বিদ্যমান।

বাংলা, মিথিলা আৰু ভোজপুৰী পৰম্পৰাত ডাকৰ বচনৰ স্ৰষ্টা ডাকক গোৱালৰ সন্তান বুলি দেখুওৱা হৈছে। আনহাতে, অসমীয়া পৰম্পৰা মতে ডাকৰ জন্ম কুমাৰণীৰ গৰ্ভত। বৰাহ মিহিৰৰ আশীৰ্বাদত কুমাৰণীৰ গৰ্ভত ডাকৰ জন্ম হোৱা বুলি অসমত যেনেদৰে প্ৰবাদ আছে, তেনেদৰে আকৌ কোনো কোনো প্ৰবাদত তেওঁক উত্তম ব্ৰাহ্মণৰ ঘৰত জন্ম হোৱা বুলিও উল্লেখ কৰা হৈছে। বাংলা পৰম্পৰাতো বৰাহ মিহিৰৰ কৃপাত ডাকৰ জন্ম হোৱা বুলি উল্লেখ পোৱা যায়। উৰিষ্যাত প্ৰচলিত পৰম্পৰা অনুসৰি ডাকৰ জন্ম হৈছিল অস্পৃশ্য কন্যাৰ গৰ্ভত। বংগদেশত প্ৰচলিত পৰম্পৰাৰ নিচিনাকৈ মিথিলাৰ ডাকো আছিল গোৱালৰ ল'ৰা আৰু বৰাহ মিহিৰৰ ঔৰষত তেওঁৰ জন্ম হৈছিল। ভোজপুৰী পৰম্পৰাতো গোৱালৰ ঘৰত ডাকৰ জন্মৰ কথা বিবৃত হৈছিল। আনহাতে, উত্তৰ প্ৰদেশত প্ৰচলিত প্ৰবচনসমূহৰ সৈতে ঘাঘৰ নামটো জড়িত হৈ আছে। ঘাঘ আৰু ডাকৰ উদ্ভৱ যে একেটা পৰম্পৰাৰ পৰাই হৈছিল, তাৰ আভাস পোৱা যায় দুয়োৰে জ্যোতিষ চৰ্চাৰ সৈতে থকা সম্পৰ্কত।

বিহাৰ, মধ্যপ্ৰদেশ আৰু উত্তৰ প্ৰদেশত প্ৰচলিত প্ৰবচনসমূহৰ সৈতে ভড্ডৰ আৰু ভড্ডৰীৰ নামটো জড়িত হৈ আছে। তাৎপৰ্যপূৰ্ণভাৱে ভড্ডৰৰ বৃত্তিত এগৰাকী জ্যোতিষী আৰু মাক এগৰাকী গোৱালিনী। ৰাজস্থানতো ভড্ডৰ, ভড্ডৰী আৰু ডঙ্ক পৰম্পৰা দীৰ্ঘদিন ধৰি মৌলিক ৰূপত প্ৰচলিত হৈ আহিছে। ৰাজস্থানৰ ডঙ্ক পৰম্পৰাৰ সৈতে পূৰ্ব ভাৰতত প্ৰচলিত ডাক পৰম্পৰাৰ কোনো পাৰ্থক্য দেখা নাযায়। ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশতো ডাক বা খনাৰ বচনৰ অনুৰূপ বিবিধ বচনৰ প্ৰচলন দেখা যায়।

- **ডাকৰ ঐতিহাসিকত্বঃ** গতিকে দেখা যায় যে ডাক কোনো ঐতিহাসিক ব্যক্তি নহয়। ডাক, খনা, ডঙ্ক, ভড্ডৰ প্ৰভৃতি দৰাচলতে লোকসমাজত প্ৰচলিত মৌখিক পৰম্পৰাহে। অতীত কালৰে পৰা ই জনসাধাৰণৰ মাজত মুখ পৰম্পৰা ৰূপে প্ৰচলিত হৈ অহা কৃষি, জ্যোতিষ আৰু যাত্ৰাবিচাৰ প্ৰভৃতি কথাসমূহ জনসাধাৰণে ডাক, ভড্ডৰ, খনা, ডঙ্ক, ঘাঘ প্ৰভৃতি কাল্পনিক নামৰ সৈতে সংযুক্ত কৰি দিছিল। সেইবাবেই এওঁলোকৰ জন্মস্থান, জন্মতিথি, পিতৃ-মাতৃৰ নাম প্ৰভৃতিৰ প্ৰামাণিক তথ্য ক'তো পোৱা নাযায়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰাদেশিক ভাষাত নিৰ্দিষ্ট ব্যক্তিৰ নামত প্ৰচলিত প্ৰবচনসমূহৰ মাজত সাদৃশ্য দেখা যায় আৰু প্ৰবচনসমূহৰ এনে সামূহিক অভিব্যক্তিয়ে বিষয়বস্তু, অনুভৱ আৰু অভিব্যক্তিৰ মাজত অভিমতৰ আৰ্হি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ডাকৰ বচনৰ ভাষা মনোগ্ৰাহী আৰু ইয়াৰ প্ৰকাশিকা শক্তি অতি

চমকপ্ৰদ। জনসাধাৰণৰ জীৱনৰ প্ৰয়োজনীয় প্ৰায়বোৰ জ্ঞান বা মানৱীয় বৃত্তিৰ সৈতে জড়িত কথাই ডাকৰ বচনত ঠাই পাইছে। *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* ৰচক মহেশ্বৰ নেওগৰ ভাষাত— "ছেৰাশালি বা প্ৰসূতিগৃহত পোঁৱাতী বা সন্তানক কেনেদৰে ৰাখিব লাগে, কেনেভাৱে পৰিচৰ্যা কৰিব লাগে আৰু কি কি লোকাচাৰ পালন কৰিব লাগে, সকলোখিনি ডাকৰ বচনত আছে।"



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৬ঃ** ডাকৰ বচন কোনো ব্যক্তিবিশেষৰ সৃষ্টিনে? (২৫০টা শব্দৰ ভিতৰত লিখক)

➢ **ডাকৰ বচনৰ অন্তৰ্নিহিত বিষয়ঃ** অসমীয়া ডাকৰ বচনবোৰত ভালেমান বিষয় সামৰি লোৱা হৈছে। তাৰ ভিতৰত জন্ম প্ৰকৰণ, ধৰ্ম প্ৰকৰণ, ন্যায় প্ৰকৰণ, নীতি প্ৰকৰণ, ব্যঞ্জনাদি প্ৰকৰণ, ৰন্ধন প্ৰকৰণ, গৃহিণী লক্ষণ, পৰিত্যাগ কথন, বৰ্ষাদি বৰ্ণন, বৃষ লক্ষণ, কৃষি লক্ষণ, জ্যোতিষ প্ৰকৰণ, যাত্ৰা কথন, গৃহ লক্ষণ, নাৰী লক্ষণ প্ৰভৃতি বিভিন্ন দিশ সামৰি লোৱা হৈছে। তলত তেনে কেইটিমান প্ৰবচনৰ নিদৰ্শন দাঙি ধৰা হ'ল—

- **জন্ম প্ৰকৰণ ঃ** সন্তান জন্মিলে প্ৰসূতি আৰু সন্তানৰ যত্ন কেনেদৰে লোৱা উচিত, সেই বিষয়ে ডাকৰ বচনত এনেদৰে উল্লেখ কৰিছে—

*"কলিয়া তুলসী বেলৰ পাত।*
*মুঠায়ে সহিতে বাটি-পতাত।।*
*তপত কৰিয়া জননী খাইব।*
*তেখেনে নাড়ী দৃঢ়ক পাইব।।*
*যেবে সুতিকাৰ ৰাখিব জীৱ।*
*যতন কৰিয়া ঔষধ দিব।।*

.....................................

*সুতিকা নিকটে ৰাখিবা অস্ত্ৰ।*
*গৃহ চাৰিচুকে দ্বাৰ মুখত।*
*বচ সিজু আদি ৰুইবে শকত।।*
*অশৌচ বাজে মঙ্গল কৰি।*
*সূৰ্য্যক দেখাইব নয়ন ভৰি।।"* ইত্যাদি

- **ধৰ্ম প্ৰকৰণ ঃ** পুৰণি কালত জনকল্যাণৰ বাবে বৃক্ষৰোপণ, পুখুৰী খন্দা, মঠ-মন্দিৰ নিৰ্মাণ আদি মাঙ্গলিক কৰ্মত গুৰুত্ব দিয়া হৈছিল—

*"তেবেসে ধৰ্মক ধৰিবা জানি।*
*পুখুৰী খানিয়া ৰাখিব পানী।।*

*বৃক্ষ ৰোপণত অধিক ধৰ্ম।*
*মঠ মণ্ডপ গুৰুতৰ কৰ্ম।।”*
*.......................................*

- **নীতি প্ৰকৰণ ঃ** এখন সমাজ ভালদৰে বৰ্তি থাকিবলৈ হ'লে সমাজৰ গাঁথনি দৃঢ় হ'ব লাগিব আৰু ই কিছুমান নিৰ্দ্ধাৰিত নীতিৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। ডাকৰ বচনত তেনে নিদৰ্শন পোৱা যায়—

*“ষাঠি বছৰত বোলে আই।*
*আহাৰ শাওণত দোহে গাই।।*
*পুহত আহু জেঠত শালি*
*তেবেসে জানিবা গৃহস্থালি।।*
*.........................................*
*ৰান্ধন শালত নাবাজে পটা।*
*স্নান অৱসানে নভৈল ফোঁটা।।*
*শীতকালে যাৰ নভৈল বস্ত্ৰ।*
*যুদ্ধ সময়ত ধুকাইল অস্ত্ৰ।।*
*যজ্ঞ অৱসানে নাই দক্ষিণা।*
*বোলন্ত ডাকে পাঞ্চো বিড়ম্বনা।।*
*..............................................*
*উৰুখা ঘৰত বাৰিষা থাকে।*
*যুৱতী কন্যাক ঘৰত ৰাখে।।*
*আতুৰ গ্ৰাসে খাৱয় ভাত।*
*ধৰুৱা গৃহস্থক নিদিয়ে মাত।।*
*চোৰে এৰে কৰে সঙ্গ।*
*ইতিনিৰ জানিবা ভঙ্গ।।”*

- **ৰাজনীতি প্ৰকৰণ ঃ** ৰাজনীতিত অংশগ্ৰহণ কৰিলে প্ৰাপ্তিৰ প্ৰাচুৰ্য যেনেদৰে সম্ভৱ, তেনেদৰে মানুহক চিনাৰ বাবেও কিছুমান নিৰ্দেশিকা পোৱা যায়—

*“ৰজাৰ সেৱাত সকলো পাই।*
*দুগ্ধত যেন গুৰ মিশলাই।।*
*এক মন কৰি সেৱিবা ৰাজ।*
*তেবেসে সিজিব সমস্ত কাজ।।*
*...........................................*
*ৰজাক চিনিবা দানত।*
*ঘোঁৰাক চিনিবা কাণত।।*

*খুৰক চিনিবা সানত।*
*তিৰীক চিনিবা স্নানত।।”*

- **ৰন্ধন প্ৰকৰণ ঃ** অসমীয়া নাৰীয়ে কেনেদৰে পাকঘৰত সুস্বাদু ব্যঞ্জন তৈয়াৰ কৰিব পাৰে, তাৰ আভাস প্ৰবচনত পোৱা যায়—

*“মাগুৰ মাছৰ চিৰকুটিয়া।*
*হালধি মৰিচ হিঙ্গক দিয়া।।*
*তৈল লোণ দি কৰিব পাক।*
*ভাল ব্যঞ্জন বোলয় ডাক।।*
*চাউল দিবা যেতেক তেতেক।*
*পানী দিবা তিনি তেতেক।।*
*যেবে দেখা নিসিজে চাউল।*
*তেবে বুলিবা ডাকক বাউল।।”*

- **গৃহিণী লক্ষণ ঃ** সুগৃহিণী হ’বৰ বাবে কেনেকুৱা গুণৰ প্ৰয়োজন তাৰ নিদৰ্শন প্ৰবচনত অতি সুন্দৰ ৰূপত দাঙি ধৰা দেখা যায়—

*“সম সৰু দান্ত লাৱণ্য মাত।*
*গৃহে বাতি দেই সন্ধ্যা বেলাত।।*
*ৰন্ধন কৰয় বচন মিষ্ট।*
*সেই গৃহিণীক বোলয় ইষ্ট।।*

.......................................

*যি নাৰী প্ৰভাতে নিদ্ৰাক যায়।*
*বাসি শয্যাত সূৰ্য্যক পায়।।*
*উদয় কালত নিলিপে ঘৰ।*
*ডাকে বোলে তাইক ছাড়িয়ো নৰ।।*

.................................................

*কাষত কলচী জলক যাই।*
*তলমূৰ কৰি কাকো নাচাই।।*
*যি পথে যাই সেই পথে আসে।*
*ডাকে বোলে ভাল মনত বাসে।।”*

- **পৰিত্যাগ কথন ঃ** সুখী আৰু মধুৰ দাম্পত্য জীৱন, পাৰিবাৰিক আৰু সামাজিক জীৱন-যাপনৰ বাবে কিছুমান দ্ৰব্য, অভ্যাস ত্যাগ কৰা বাঞ্ছনীয়।

*“তিনি নাৰী যাৰ একেটি পতি।*
*তাক পৰিহৰ বোলোহো আমি।।*
*পৰিহৰ সততে পৰ অন্ন আস।*

*পৰিহৰ শূন্য নগৰে নিবাস।।*
*পৰিহৰ শুকটি মৎস্যৰ জোল।*
*পৰিহৰ অসতী জনৰ বোল।।*
*পৰিহৰ মন্দিৰ সন্মুখে বাট।*
*পৰিহৰ যুৱতী যি কৰে হাট।।"*

- **কৃষি লক্ষণ ঃ** কৃষিৰ বাবে প্ৰয়োজনীয় বতৰ, জলবায়ু আৰু প্ৰস্তুতিৰ আভাসো প্ৰবচনত স্পষ্ট—

*"ৰ'দে বৰষুণে সমে যাই।*
*তেবেসে কৃষিৰ লাভক পাই।।*
*মাঘী সপ্তমীত বৰিষে দেৱ।*
*বেহা এৰি কৰা নাঙল সেৱ।।*
*শীত সৰিয়হ মীত মাহ।*
*শাওণত নাকাটে বেত-বাঁহ।।*
*ভাদৰ চাৰি আহিনৰ চাৰি।*
*মাহ ব'বা যিমান পাৰি।।*
*শীত সৰিয়হ মীত মাহ।*
*গণ্ডযোগত নুৰুইবা বাঁহ।।"*

- **বৃষ লক্ষণ ঃ** কৃষিৰ বাবে প্ৰয়োজনীয় হালৰ গৰু কেনে ধৰণৰ হ'ব লাগে, বৃষৰ লক্ষণত তাৰ সবিশেষ বৰ্ণনা দাঙি ধৰিছে, এনেদৰে—

*"গৰু কিনিবা চিকণ জালি।*
*দুই চাৰি ছয় দন্তীয় ডালি।।*
*হৰিণৰ সমান জিহ্বা কাণ।*
*হেন বলদ বিচাৰি আন।।*
*..................................*
*গাঁৱৰ বলদ নিকটৰ ভূঁই।*
*ইয়াক নেৰিবা জানন্তা হুই।।*
*জিকাৰু বিচাৰি কিনিবা গাই।*
*সৰু মুই পাচ ভাঙ্গৰী চাই।।*
*......................................*
*তালযুৰিয়া বৰে হাল।*
*ভাতে নাটে সৰ্বতিকাল।।*
*গৰু কিনিবা নিঘুণ বগা।*
*বোলন্ত ডাকে মই হও লগা।।"*

- **জ্যোতিষ প্ৰকৰণ ঃ** পুৰণি কামৰূপত জ্যোতিষ গণনাৰ সুকীয়া পদ্ধতি আছিল। ডাকৰ বচনত জ্যোতিষ জ্ঞানৰ নিদৰ্শন যথেষ্ট। তলত তেনে নিদৰ্শন দাঙি ধৰা হ'ল—

*"লগ্নৰ লগত শনিৰ মেলা।*
*সকলো কাৰ্যত কৰাৰে হেলা।।*
*সপ্তমত মঙ্গলে দেখয় যেৰে।*
*মেঘৰ নাদত মৰিব তেবে।।*

......................................

*আউসীৰ প্ৰতিপদ পূৰ্ণিমাৰ ৰাতি।*
*মাকৰ ঘৰলৈ নযাই জী।*

.................................

*দধি মধু ঘৃত শুক্ল তণ্ডুল।*
*শুকুলা চামৰ শুকুলা ফুল।।*
*হংস দৈৱজ্ঞ সুন্দৰী কন্যা।*
*যাত্ৰাৰ কালত সকলো ধন্যা।।*
*নাম অক্ষৰ দুই মাত্ৰা কৰি।*
*নাম স্থিৰ কৰ পুৰুষ নাৰী।।*
*বেদে হৰি পাইব ভাগ।*
*তেবে পাইব জীৱন মৰণ লাগ।।*
*শূন্যে একে মৰে পতি।*
*দুই পালে মৰে যুৱতী।।*
*তিনি পাইলে উভয় মৰণ।*
*ডাকৰ এই নিচয় বচন।।*

.................................

*সোমে শনি পূবে বাস।*
*দুটি গ'লে এটি নাশ।।*
*উত্তৰে কৰিবা শঙ্কা।*
*গাৰ লটি ঘটি ভৰিবা টঙ্কা।।*
*হেট মুণ্ড পাৰ উপৰ কৰি।*
*জলৰ মধ্যেত থাকিব মৰি।।"*

- **বৰ্ষা লক্ষণ ঃ** কৃষিৰ সৈতে বৃষ্টিৰ যথেষ্ট সম্পৰ্ক আছে। বিশেষকৈ আহু আৰু শালি খেতিৰ সৈতে বৰষুণৰ এৰাব নোৱাৰা সম্পৰ্ক। ডাকৰ বচনত তিথি, নক্ষত্ৰ অনুসৰি বতৰৰ প্ৰকৃতি জনাৰ ইঙ্গিত দিয়া হৈছে—

“আহাৰৰ নৱমী শুক্লা পক্ষত।
যদি নববিৰিষে ভূমি তলত।।
হাল ৰাখিয়া চিন্তিয়ো দেৱ।
ৰাজ্যৰ গৃহত কৰিয়ো সেৱ।।
.......................................
মাঘ মাঘত ৰোহিণী নক্ষত্ৰ
যদি নববিৰিষে দেৱ।
হাল ডোল বেছি কৰ সব লোক
দেৱী মহাদেৱক সেৱ।।
বৰ্ষা কালত বেঙৰ ৰাও।
হাল গৰু লৈয়া পথাৰক ধাও।।
.............................................
জেঠ মাহ গ'ল বিনা নাঙলে।
তাহাৰ কিমতে কিৰিষি ফলে।।
তিনিশ ষাঠি জোপা ৰুবা কল।
মাহেকে পষেকে চিকুনাবা তল।।
পাত পচলা লাভত খাবা।
লঘকাৰ বণিজ ঘৰতে পাবা।।”



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৭ ঃ** ডাকৰ বচনৰ অন্তৰ্গত বিষয়সমূহ কি কি? (১৫০টা শব্দৰ ভিতৰত লিখক)

অসমীয়া জাতীয় জীৱনৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলোবোৰ দিশৰ উল্লেখ ডাকৰ বচনত পোৱা যায়। সেইবাবে ‘ডাকৰ বচন’ক অসমীয় জাতীয় অভিজ্ঞতাৰ স্তূপীকৃত ৰূপ আখ্যা দিব পাৰি, কিয়নো বহু যুগৰ সঞ্চিত অভিজ্ঞতা ইয়াৰ মাজেদি প্ৰকাশ পাইছে। সেয়ে ই নৈৰ্ব্যক্তিক আৰু বস্তুনিষ্ঠ।

ওপৰৰ উদ্ধৃতিৰাজিৰ পৰা ডাকৰ বচনত সোমাই থকা জাতীয় মানসিকতা আৰু জাতীয় ভাবধাৰাৰ পৰিচয় স্পষ্ট হৈ উঠে। কৃষিজীৱী জনসাধাৰণৰ কৃষি, শিল্প আৰু বাণিজ্য প্ৰভৃতি বিভিন্ন দিশৰ লগে লগে পাৰিবাৰিক আৰু সামাজিক জীৱনৰ বাবে প্ৰয়োজনীয় বহুবোৰ গুৰুত্বপূৰ্ণ দিশে ডাকৰ বচনৰ মাজেদি প্ৰকাশ লাভ কৰিছে। ভাষাৰ দিশৰ পৰাও এইবোৰ কথিত ভাষাৰ অধিক ওচৰ চপা। মুখ পৰম্পৰা ৰূপে প্ৰচাৰিত হৈ অহাৰ কাৰণে গীতবোৰত কিছু পৰিমাণে অৰ্বাচীনতাৰ চাপ স্পষ্ট যদিও, তেনে হোৱাটোৱেই

স্বাভাৱিক। ডাকৰ বচনৰ যোগেদি অসমৰ সামাজকি, ধৰ্মীয়, সাংস্কৃতিক, নৈতিক আৰু আধাত্মিক জীৱনৰ ভালেমান গুৰুত্বপূৰ্ণ কথাই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছে। লোকজীৱনৰ অভিজ্ঞতাৰাজিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনত ডাকৰ বচনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

জনসাধাৰণৰ জীৱনৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলোবোৰ দিশেই সামৰি লোৱাত ই জনহিতৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয় স্বৰূপে বিবেচিত হৈছে। অসমৰ সমাজ জীৱনত প্ৰচলিত ভালেমান সামাজিক লোকাচাৰ, লোকৰীতি, লোকবিশ্বাস আদিয়ে ডাকৰ বচনৰ মাজেদি সুন্দৰ ৰূপত প্ৰকাশ লাভ কৰিছে। সন্তান জন্ম হ'লে প্ৰসূতিগৃহত সন্তানক কেনেদৰে পৰিচৰ্যা কৰিব লাগে, মাতৃ গৰাকীৰ স্বাস্থ্যৰ যতন কেনেদৰে ল'ব লাগে, কি কি দ্ৰব্য খুৱাব লাগে ইত্যাদি দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলোবোৰ কথাই ডাকৰ বচনৰ যোগেদি মুখৰিত হৈ উঠিছে।

সামাজিক জীৱনৰ ঘাই চালিকা শক্তি যে নীতি আৰু আদৰ্শ সেই কথাও ইয়াৰ যোগেদি স্পষ্ট ৰূপত প্ৰকাশ পাইছে। নীতি প্ৰকৰণৰ যোগেদি সামাজিক আৰু ধৰ্মীয় জীৱনৰ লগে লগে পাৰিবাৰিক জীৱনত পালন কৰিবলগীয়া প্ৰায়বোৰ গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰা হৈছে।

ধৰ্ম, পৰোপকাৰ, অহিংসা, জনকল্যাণ প্ৰভৃতি দিশবোৰ প্ৰবচনৰ যোগেদি অতি সাৰ্থক ৰূপত দাঙি ধৰা হৈছে। শৰীৰ আৰু স্বাস্থ্য নিৰোগী কৰি ৰাখিবৰ বাবে প্ৰয়োজনীয় স্বাস্থ্যসন্মত বিধি, খাদ্যাভ্যাস আদিৰ কথাও আছে। তেনেদৰে পুৰুষ আৰু নাৰীৰ লক্ষণ, কৃষিৰ বাবে ভূমি নিৰ্বাচন, গোবৰ্ধনৰ প্ৰতিপালন, শস্য উৎপাদন, প্ৰকৃতিৰ কাৰ্যকলাপৰ মাধ্যমেদি ভৱিষ্যৎ সম্পৰ্কে সচেতনতা ইত্যাদি বিভিন্ন দিশে ডাকৰ বচনৰ মাজেদি ভুমুকি মাৰিছে। গতিকে দেখা যায় যে অসমৰ জাতীয় জীৱনৰ সামগ্ৰিক দিশত ডাকৰ বচনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। অসমৰ গ্ৰাম্য জীৱনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰা আবাল-বৃদ্ধা-বনিতাৰ বুকুৰ আপোন এই প্ৰবচনসমূহ অসমীয়া লোকসাহিত্যৰ অন্যতম প্ৰধান সম্পদ।

ডাকৰ বচনে অসমৰ জাতীয় জীৱনক যিমান গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে, তাৰ তুলনাত লোকসাহিত্যৰ অন্যান্য শাখাবোৰৰ প্ৰভাৱ সিমান সুদূৰপ্ৰসাৰী নহয়। ফকৰা-যোজনা, পটন্তৰ, সাঁথৰ, সাধুকথা আদিয়েও জনজীৱনত প্ৰভাৱ বিস্তাৰ কৰিছে যদিও সেয়া ডাকৰ বচনৰ দৰে গভীৰ নহয়।অসমৰ লগতে বংগ, বিহাৰ, ওডিসা প্ৰভৃতি বিভিন্ন প্ৰদেশত ডাক, ডঙ্ক, ভড্ডৰ, ভড্ডৰী প্ৰভৃতি বিভিন্ন ব্যক্তিৰ নামত প্ৰচলিত প্ৰবচন-সমূহৰ মাজত বিষয়বস্তুগত সাদৃশ্য আছে। ভাষাৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য থাকিলেও প্ৰবচন-সমূহৰ বক্তব্য বিষয়বস্তু, তাৰ সামাজিক গুৰুত্ব আৰু তাৎপৰ্য অনস্বীকাৰ্য।



## ২.৫ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

- মন্ত্র সাহিত্যৰ ইতিহাস অতি প্রাচীন। মন্ত্রসমূহ মুখ পৰম্পৰা ৰূপে যুগ যুগ ধৰি চলি আহিছে।
- মন্ত্রসমূহ মৌখিক সাহিত্যৰ অন্তৰ্গত আৰু ইয়াৰ ৰচনাকাল অনিশ্চিত। বিবিধ লোক-কথকতা, উপকথা আদিৰ সংযোগে মন্ত্রৰ পৰিসৰ বৃদ্ধি কৰিছে।
- বেদবাহ্য আচৰণৰ বাবে মন্ত্রক ওভোটা বেদ আখ্যা দিয়া হৈছে।
- মহাকাব্য, পুৰাণ আদিৰ কাহিনীৰ পুনৰাবৃত্তিয়ে মন্ত্র সাহিত্যক গাম্ভীৰ্য প্ৰদান কৰিছে।
- মন্ত্রবোৰ ছন্দোবদ্ধ আৰু অন্ত্যানুপ্রাসযুক্ত। কিছুমান মন্ত্রত শৃঙ্গাৰ, অদ্ভুত, ভয়ানক আদি ৰসৰ প্ৰয়োগ ঘটিছে। মন্ত্রসমূহ পদ্য আৰু গদ্য উভয় ৰূপতে পোৱা যায়। মন্ত্রত ৰচকৰ কল্পনা আৰু কবিত্ব শক্তিৰ প্ৰকাশ ঘটিছে।
- পুনৰুক্তিৰ প্ৰাধান্য মন্ত্রসমূহত সততে লক্ষ্য কৰা যায়। গোপনীয়তা মন্ত্র সাহিত্যৰ এটি মন কৰিবলগীয়া বৈশিষ্ট্য। মন্ত্রত বৈদিক আৰু অবৈদিক উভয় পৰম্পৰাৰ সমন্বয় সাধিত হৈছে।
- অসমৰ জাতীয় জীৱনত ডাকৰ বচনৰপ্রভাৱ অতি গভীৰ।ডাকৰ বচনৰ মাধ্যমেদি জাতীয় জীৱনৰ ভাবধাৰা অতি সাৰ্থক ৰূপত প্ৰকাশিত হৈছে। জাতীয় জীৱনৰ সুখ-দুখৰ ধাৰণাও ডাকৰ বচনৰ মাজেদি প্ৰকাশ পাইছে।
- ডাকৰ বচনৰ অনুৰূপ বচন অসম, বংগ, বিহাৰ, ওডিসা প্ৰভৃতি প্ৰদেশতো দেখিবলৈ পোৱা যায়। ডাক ঐতিহাসিক ব্যক্তি হয়নে নহয় এই সম্পৰ্কত মতভেদ বিদ্যমান।
- ডাকৰ বচনৰ মাজেদি বহু যুগৰ অভিজ্ঞতাই স্তূপীকৃত ৰূপ লাভ কৰিছে। ধৰ্ম, পৰোপকাৰ, নীতিবচন ইত্যাদি বিভিন্ন দিশৰ প্ৰয়োজনীয় কথাই এইসমূহ প্ৰবচনত ঠাই পাইছে। নৈতিক আৰু আধ্যাত্মিক জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় পৰামৰ্শও প্ৰবচনত সন্নিৱিষ্ট হৈছে।
- ডাকৰ বচনৰ মাজেদি অসমীয়া সমাজৰ ভালেমান সামাজিক লোকাচাৰ প্ৰকাশ পাইছে। অসমীয়া মানুহৰ খাদ্য, ৰন্ধন প্ৰণালী, খাদ্যৰ জুতি ইত্যাদি বিভিন্ন দিশ এইসমূহ প্ৰবচনত সন্নিৱিষ্ট হৈছে। স্বাস্থ্যসন্মত জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শও এইসমূহ প্ৰবচনত সন্নিৱিষ্ট হৈছে। জাতীয় ঐক্য, সম্প্ৰীতি আৰু সদ্ভাৱ বৃদ্ধিত এইসমূহ প্ৰবচনৰ গুৰুত্ব যথেষ্ট।



## ২.৬ অধিক জানিবলৈ

*অসমীয়া গ্ৰন্থ ঃ*


১) কাকতি, বাণীকান্ত (১৯৫৫); *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা*; পাঠশালা।

২) গগৈ, লীলা (১৯৮৪); *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ্ এম্প'ৰিয়াম।

৩) গগৈ, লীলা (১৯৮৬); *অসমৰ সংস্কৃতি*; গুৱাহাটী ঃ বনলতা।

৫) গোস্বামী, হেমচন্দ্ৰ (সম্পা.) (১৯৭১); *দৰং ৰাজবংশাৱলী*; বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী।

৬) গোস্বামী, হেমচন্দ্ৰ (সম্পা.) (১৯৮২); *পুৰণি অসম বুৰঞ্জী*; বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী।

৭) গোস্বামী, হেমচন্দ্ৰ (২০০১); *অসমীয়া সাহিত্যৰ চানেকি*, (২য় সংস্কৰণ); গুৱাহাটী ঃ বাণী মন্দিৰ।

৮) দত্ত গোস্বামী, প্ৰফুল্ল (১৯৮২); *বাৰ মাহৰ তেৰ গীত*।

৯) দত্ত গোস্বামী, প্ৰফুল্ল (১৯৮৬); *অসমীয়া জনসাহিত্য*।

১০) নাথ, প্ৰফুল্ল কুমাৰ (২০০৪); *অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা*; গুৱাহাটী ঃ বাণী মন্দিৰ।

১১) নাথ, প্ৰফুল্ল কুমাৰ (সম্পা.) (২০০৪); *অসমৰ লোকজীৱন আৰু সংস্কৃতি*; গুৱাহাটী ঃ এন. এল. পাব্লিকেশ্যন।

১২) নাথ, প্ৰফুল্ল কুমাৰ (২০০৪); *অসমৰ জনগোষ্ঠীয় ঐতিহ্য, সংস্কৃতি বিনিময় আৰু সংহতি*; গুৱাহাটী ঃ বুকলেণ্ড।

১৩) নাথ, প্ৰফুল্ল কুমাৰ (২০০৯); *পুৰণি অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ বুকলেণ্ড।

১৪) নাথ, প্ৰফুল্ল কুমাৰ (২০১১); *ভাৰতীয় সাহিত্য আৰু সংস্কৃতি*; গুৱাহাটী ঃ এন. এল. পাব্লিকেশ্যন।

১৫) নাথ, প্ৰফুল্ল কুমাৰ (২০১২); *ভক্তিমাৰ্গ আৰু ভাৰতীয় ভক্তি সাহিত্যত এভুমুকি*; গুৱাহাটী ঃ বাণী মন্দিৰ।

১৬) নাথ, প্ৰফুল্ল কুমাৰ (২০১৩); *অসমৰ নাথ সম্প্ৰদায়ৰ সংস্কৃতি*, (১ম সংস্কৰণ); গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৭) নেওগ, ডিম্বেশ্বৰ (১৯৪০); *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি*; গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

১৮) নেওগ, মহেশ্বৰ (১৯৬৯); *পবিত্ৰ অসম*; অসম সাহিত্য সভা।

১৯) নেওগ, মহেশ্বৰ (১৯৮৩); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২০) নেওগ, মহেশ্বৰ (১৯৮৫); *অসমীয়া গীতি-সাহিত্য*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২১) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৬১); *অসমৰ লোকসংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২২) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৪); *অসমীয়া কথা সাহিত্য*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

*বাংলা গ্ৰন্থ ঃ*

১) নাথ, রাজমোহন (১৯৫৮); *নাথ-যোগীতত্ত্ব*।

২) নাথ, রাজমোহন (১৯৬১); *বঙ্গসংস্কৃতি ও নাথপন্থ*।

৩) নাথ, রাজমোহন (সম্পা.) (১৯৬৪); *বঙ্গীয় নাথপন্থের প্রাচীন পুথি*।

৪) নাথ, রাধাগোবিন্দ (১৩১৭ বাংলা); *বঙ্গীয় যোগীজাতি*।

৫) মল্লিক, কল্যাণী (১৩৫৭ বাংলা); *নাথপন্থ*; কলিকতা বিশ্ববিদ্যালয়।

*ইংৰাজী গ্ৰন্থ ঃ*

1) Barua, K. L. (1966); *Early History of Kamrup*, (2nd edn.); Shillong.

2) Basur, B. K. (1951); *A Cultural History of Assam*, (1st edn.); Guwahati.

3) Bhattacharyya, Padmanath (B.S. 1338); *Kamrup Sasanawati*; Rangpur.

4) Chatteryee S. K. (1951); *Kirata-Jana-Kriti*; Calcutta.

5) Dutta Goswami, Prafulla (1970); *The Ballads and Tales of Assam*, (3rd edn.); G.U.P.

6) Gait, Sir Edward (1984); *A History of Assam*, (3rd edn.).

7) Haimilton, F. (1940); *An Account of Assam*, (2nd edn.); Guwahati: DHAS.

8) Hutton, J. H. (1951); *Caste in India*; Bombey: Oxford University.

9) Kakoti, Banikanta (1967); *The Mother Goddess Kamakhya*; Guwahati.

10) Nath, Rajmohan (1948); *The Background of Assamese Culture*; Guwahati: LBS Publication.

11) Nath, Rajmohan (1981); *The Antiguities of Kachar*, (1st edn.).

12) Nath, Rajmohan (1968); *Pre-Vedic Kamrup*.

13) Neog, Maheswar (1974); *Prachya Sasanawali*, (1st edn.); Guwahati.

14) Neog, Maheswar (1984); *The Religion of the North East*; New Delhi.

15) Sirkan, D. C. (1948); *The Sakta Pithas*, (1st edn.).

16) Winterniz, M. (1927, 1933); *A History of Indian Literature*, (Vol. I, II).

## ২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১নং প্ৰশ্নৰ উত্তৰ ঃ** গৱেষক, ভাষাবিদসকলৰ গৱেষণালব্ধ মন্তব্যৰ আঁত ধৰি কোনচোৱা সময়ত উদ্ভৱ হোৱা ভাষাক প্ৰত্ন অসমীয়া ভাষা বোলা হয়, সেয়া লিখিব লাগিব... ...প্ৰত্ন অসমীয়া ভাষাৰ ৰূপ ক'ত ক'ত ৰক্ষিত হৈছে তাৰ উল্লেখ।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** পৌৰাণিক গ্ৰন্থত থকা কামৰূপ আৰু তাত চৰ্চা হোৱা তন্ত্ৰ-মন্ত্ৰৰ বিষয়ে উল্লেখ... ...কোন কেইখন গ্ৰন্থত সেই তথ্য ৰক্ষিত হৈছে তাৰ আভাস।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** তন্ত্ৰ-মন্ত্ৰত কেনেকৈ স্ত্ৰীশক্তিয়ে প্ৰাধান্য লাভ কৰিছে উপযুক্ত উদাহৰণসহ তাৰ ব্যাখ্যা।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** মন্ত্ৰক কি কি শ্ৰেণীত ভাগ কৰিব পাৰি তাৰ উল্লেখ আৰু চমু পৰিচয়।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** মন্ত্ৰ সাহিত্যৰ বিভিন্ন বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰিব লাগিব।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** উপযুক্ত যুক্তিসহ ডাক কোন বা কি তাৰ ব্যাখ্যা আগবঢ়াব লাগিব।

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** ডাকৰ বচনৰ বিষয়বস্তুগত শ্ৰেণীবিভাজন... ...প্ৰত্যেকটো শ্ৰেণীৰ অন্তৰ্গত বিষয়ৰ চমু পৰিচয়।

## ২.৮ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** মন্ত্ৰ সাহিত্য বুলিলে কি বুজে? প্ৰাচীন কামৰূপত মন্ত্ৰ সাহিত্যৰ প্ৰচলনৰ চমু আভাস দিয়ক।

**প্ৰশ্ন ২ ঃ** তন্ত্ৰ-মন্ত্ৰ আৰু যোগ সাধন পদ্ধতিত মন্ত্ৰৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** মন্ত্ৰৰ অন্তৰ্নিহিত শক্তিৰ বিষয়ে লিখক।

**প্ৰশ্ন ৪ ঃ** বৈদিক সাহিত্যত মন্ত্ৰৰ ব্যৱহাৰ কেনেদৰে হৈছিল সেই বিষয়ে লিখক।

**প্ৰশ্ন ৫ ঃ** মন্ত্ৰৰ শ্ৰেণীবিভাজন কিদৰে কৰা হয়? প্ৰতিটো শ্ৰেণীৰ বিষয়ে বৰ্ণনা দিয়ক।

**প্ৰশ্ন ৬ ঃ** মন্ত্ৰৰ বিষয়বস্তুৰ ব্যাপকতা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ৭ ঃ** মন্ত্ৰ সাহিত্যৰ সৌন্দৰ্য্য সম্পৰ্কে লিখক।

**প্ৰশ্ন ৮ ঃ** মন্ত্ৰ সাহিত্যক কি কাৰণে 'জন সাহিত্য' আখ্যা দিয়া হয়?

**প্ৰশ্ন ৯ ঃ** ডাকৰ বচন বুলিলে কি বুজে? অসমীয়া জাতীয় জীৱনত ডাকৰ বচনৰ গুৰুত্ব কেনে ধৰণৰ?

**প্ৰশ্ন ১০ ঃ** 'ডাকৰ বচন বেদৰ বাণী' —কথাষাৰৰ তাৎপৰ্য্য বিচাৰ কৰক।

**প্ৰশ্ন ১১ ঃ** ডাকৰ বচনত লোকজীৱন অভিজ্ঞতাৰ স্বাক্ষৰ কেনেদৰে প্ৰতিফলিত হৈছে, চমুকৈ লিখক।

**প্ৰশ্ন ১২ ঃ** ডাকৰ বচনৰ সৈতে বৰাহ মিহিৰৰ নামটো কেনেদৰে সংযুক্ত হৈ আছে?

**প্ৰশ্ন ১৩ ঃ** ডাকক ঐতিহাসিক ব্যক্তি বুলিব পাৰিনে? এই সম্পৰ্কে যুক্তি দৰ্শাওক।

**প্ৰশ্ন ১৪ ঃ** ডাকৰ বচনৰ যোগেদি জাতীয় জীৱনৰ ভাবধাৰা কেনেদৰে প্ৰকাশ পাইছে, লিখক।

**প্ৰশ্ন ১৫ ঃ** ডাকৰ বচনত কৃষি আৰু খাদ্য সম্পৰ্কে কেনে ধৰণৰ পৰামৰ্শ আগবঢ়াইছে, লিখক।

**প্ৰশ্ন ১৬ ঃ** ডাকৰ বচনত ৰাজনীতি আৰু সমাজনীতি সম্পৰ্কে কেনে ধৰণৰ বক্তব্য দাঙি ধৰিছে, লিখক।

**প্ৰশ্ন ১৭ ঃ** ডাকৰ বচনত স্বাস্থ্য সম্পৰ্কে কেনে ধৰণৰ নিৰ্দেশনা পোৱা যায়?

**প্ৰশ্ন ১৮ ঃ** ডাকৰ বচনত কৃষি সম্পৰ্কে কেনে নিৰ্দেশনা পোৱা যায়?

**প্ৰশ্ন ১৯ ঃ** ডাকৰ বচনত পাৰিবাৰিক জীৱন সম্পৰ্কে কেনেবোৰ কথা লিপিবদ্ধ হৈছে?

*** ***** ***